পৰবৰ্ত্তী এই সুদীৰ্ঘ সময় ছোৱাত ভাৰতত চৰকাৰে পুঁজিবাদৰ পৃষ্ঠ পোষকতা কৰাটোহে আমি দেখি আহিছো। দেশত আজি পুঁজিবাদে সুন্দৰ আৰু সুদৃঢ় ভাবে বিকাশ লাভ কৰিছে। পুঁজিবাদৰ এই বিকাশক আজিৰ তথাকথিত চৰকাৰে ৰোধ কৰিব নোৱাৰে। ভাৰতীয় পুঁজিবাদক বিকাশ লাভ কৰাত প্ৰত্যক্ষ বাধা দিব পাৰিব মাত্ৰ দুটা স্বতঃস্ফূৰ্ত্ত মৌলিক শক্তিয়ে—এটা শক্তি হৈছে 'প্ৰগতিকামী নব্যতেজ' আৰু আনটো হৈছে 'পৰিবৰ্ত্তন'।

● ● ●



# নিক'লাছ ক'পাৰনিকাছ

শ্ৰীৰমেশ চন্দ্ৰ শৰ্ম্মা
৩য় বাৰ্ষিক বিজ্ঞান

খৃষ্টীয় ষষ্ঠদশ শতাব্দী পৰ্যন্ত বিজ্ঞানী মহলতো বিশ্বাস আছিল যে পৃথিবীক কেন্দ্ৰ কৰি ঘুৰি আছে আকাশৰ জোন বেলি তৰা। পূবফালে সূৰ্য্যই ভুমুকি মাৰে আৰু পশ্চিমফালে অদৃশ্য হয়। দিনান্তত তৰাৰ দিপালীৰ সৈতে ৰাতিৰ আবিৰ্ভাব। ভগৱানে হেনো মানুহৰ কাৰণে এই নিয়ম বান্ধি দিছে। কিন্তু সৰ্ব্বপ্ৰথম ১৫৪০ চনত এজন পোলেণ্ডৰ সাহসী বিজ্ঞানীয়ে এই ধাৰণা ভুল বুলি ঘোষণা কৰিলে। তেওঁৰ মতে জোন বেলি তৰা আদি প্ৰত্যেকৰে একোটা নিজৰ গতি পথ আছে। সূৰ্য্যটো স্থিৰ, পৃথিবী আৰু অন্যান্য গ্ৰহবোৰ সিহঁতৰ চাৰিওফালে নিজৰ নিজৰ গতি পথেৰে ঘুৰি আছে। আকাশত থকা অন্যান্য তৰাবোৰও একো একোটা সূৰ্য্য।

এইজনা বিজ্ঞানীৰ জন্ম হয় ১৪৭৩ চনৰ ১৪ ফেব্ৰুৱাৰীত, পোলেণ্ডৰ ভিষ্টুলা নদীৰ পাৰৰ টৰুণ নামৰ ঠাইত। আগৰ পৰা বিশ্বাস কৰি অহা তথ্যবোৰ ভুল বুলি ঘোষণা কৰা এই সাহসী বিজ্ঞানী জনেই হ'ল আমাৰ চিৰপৰিচিত নিক'লাছ ক'পাৰনিকাছ। ক'পাৰনিকাছ "এনাটমিষ্ট অব্ দি হেভেনচ্" বা আকাশৰ গণক বুলিয়েই জনাজাত।

সৰুৰে পৰা অত্যন্ত বিনয়ী নিক'লাছৰ মন আকাশৰ প্ৰতি বিশেষ ভাবে আকৃষ্ট হৈছিল। দিনৰ পোহৰত আকাশৰ নীলাৰ নীলাভ ধূসৰ ৰঙ, ৰাতি জোন তৰাৰ মেলা দেখি তেওঁৰ মন বিস্ময়ত অভিভূত হৈ পৰিছিল। মাক পিতাকৰ সামান্য বিদ্যা বুদ্ধিয়েই পুতেকৰ মনৰ কৌতুহল গুছাব পৰা নাছিল। সেই কাৰণে তেওঁলোকে পুতেকক শিক্ষিত বিদ্যোৎসাহী ধৰ্ম্মযাজক খুৰাক লুকাচৰ ওচৰলৈ পঠাই দিছিল। লুকাচে নিক'লাছৰ মনৰ কৌতুহল গুচাবলৈ জ্যোতিবিদ্যাৰ কিতাপ পঢ়িবলৈ দিলে। ইতিমধ্যে নিক'লাছৰ পিতাকৰ মৃত্যু হল। তেতিয়া তেওঁৰ বয়স দহ বছৰ। গতিকে তেওঁ খুৰাকৰ তত্বাৱধানত ডাঙৰ দীঘল হবলৈ ধৰিলে। খুৰাকৰ তাত তেওঁ ধৰ্ম, জ্যোতিৰ্বিদ্যা, শিল্পকলা, সঙ্গীত আৰু অঙ্ক শাস্ত্ৰৰ বহুতো কিতাপ পঢ়িবলৈ সুবিধা পালে।

১৪৯১ চনত ক'পাৰনিকাছ গণিত শিক্ষাৰ বাবে ক্ৰেক বিশ্ববিদ্যালয়লৈ যায়। তাত তেওঁ গণিতৰ লগতে জ্যোতিৰ্বিদ্যা চৰ্চ্চা কৰিছিল যদিও খুৰাকৰ নিৰ্দ্দেশ ক্ৰমে

ডাক্তৰী পঢ়িব লগীয়া হয়। ডাক্তৰী পৰীক্ষা সুখ্যাতিৰে উত্তীৰ্ণ হোৱাৰ পাচত তেওঁৰ জ্ঞানলিপ্সাৰ ওৰ নপৰাত ১৪৯৭ চনত ইটালীলৈ যায় আৰু তাত পাডুৱা বিশ্ববিদ্যালয়ত ঔষধবিজ্ঞান লগতে জ্যোতিৰ্বিদ্যাৰো চৰ্চা আৰম্ভ কৰে। অতি কম সময়ৰ ভিতৰতে এই বিশ্ববিদ্যালয়ৰ পৰা তেওঁ উচ্চ উপাধি লাভ কৰে। আচৰিত হবলগা কথা এই যে ডাক্তৰী পাচ কৰাৰ পিচতো নিক'লাছে ৰোম বিশ্ববিদ্যালয়ত জ্যোতিৰ্বিদ্যাৰহে অধ্যাপক হয়। ইয়াৰ ভিতৰতে তেওঁ বল'নাত গ্ৰীক ভাষাও শিকি পেলায়।

তেওঁ বেছিভাগ সময় কিতাপ পঢ়িয়েই কটাইছিল। নিক'লাছে কিছুমান কিতাপৰ পৰা জানিব পাৰিলে যে খৃষ্ট জন্মৰো বহুতো আগতে পাইথাগোৰাচে বিশ্বৰ কেন্দ্ৰত জলন্ত অগ্নিপিণ্ড থকা বুলি মত প্ৰকাশ কৰিছিল। তেওঁৰ এই সত্যৰ সম্বন্ধে অনুসন্ধান কৰিবৰ মন গল। ৰোম বিশ্ববিদ্যালয়ৰ অধ্যাপকৰ কাম তেওঁ বাদ দিলে আৰু ফ্ৰুৰ্ড বেনবাৰ্গ গীৰ্জাৰ ধৰ্ম্ম যাজক হল। এসময়ত তেওঁ ভগৱানৰ মুখৰ বাণী প্ৰচাৰ কৰিছিল আৰু অন্য সময়ত গীৰ্জাৰ শান্ত পৰিবেশত ভগৱানৰ সৃষ্টি এই বিশ্বৰ কথা ভাবিছিল আৰু অঙ্ক কৰিছিল।

ক'পাৰনিকাছ এজন দয়ালু, জ্ঞানী আৰু পৰোপকাৰী ধৰ্ম্মযাজক আছিল। তেওঁৰ প্ৰতিভা বহুমুখী আছিল। চিকিৎসক হিচাবে তেওঁ এনে বিখ্যাত আছিল যে প্ৰখ্যাত চিকিৎসক সকলোৱে কোনো কঠিন ৰোগৰ চিকিৎসা কৰোঁতে তেওঁৰ পৰামৰ্শ লব লগাত পৰিছিল। তেওঁ এখন দিনপঞ্জী তৈয়াৰ কৰিছিল, যি খনৰ বাবে সময় গণনা কৰি উলিয়াওঁতে বৰ্তমানতকৈ মাত্ৰ আঠাইশ চেকেণ্ডৰহে পাৰ্থক্য ওলাইছিল। অৰ্থাৎ এতিয়াৰ বছৰতকৈ ক'পাৰনিকাছৰ বছৰত মাত্ৰ আঠাইশ চেকেণ্ডহে বেচি আছিল। ক'পাৰনিকাছে অশেষ কষ্ট কৰি নানান পৰীক্ষা-নিৰীক্ষা চলাই আকাশৰ ৰহস্য ভেদ কৰিবলৈ যত্ন কৰিছিল; আৰু সেই সময়তে কিছুমান মানুহে তেওঁৰ বিৰুদ্ধে অপপ্ৰচাৰ চলাবলৈ ধৰিছিল। তেওঁ "সূৰ্য্য স্থিৰ আৰু পৃথিবী ঘুৰে' বুলি প্ৰতিপন্ন কৰিবলৈ চেষ্টা কৰিছিল। কিন্তু এইটো সাধাৰণ লোক বিশ্বাসৰ বিপৰীত আছিল। কিন্তু ক'পাৰনিকাছ অচল-অটল হৈ তেওঁৰ কাম কৰি গৈছিল।

পূৰ্ব্বৰ দাৰ্শনিক সকলৰ অভিমত আৰু নিজৰ বুদ্ধিৰেই ক'পাৰনিকাছে একেলেথাৰিয়ে প্ৰায় ত্ৰিশবছৰ কাল নীৰৱে কাম কৰি যি তথ্য আৱিষ্কাৰ কৰিছিল সেই তথ্যই জ্যোতিৰ্বিদ সকলৰ মনত নতুন জ্ঞানৰ সঞ্চাৰ কৰাৰ উপৰিও মানুহৰ চিন্তা জগতত বিপ্লৱৰ সৃষ্টি কৰিছিল। ক'পাৰনিকাছৰ মতে সূৰ্য্যই হৈছে বিশ্বৰ কেন্দ্ৰ। পৃথিবী সূৰ্য্যৰ চাৰিওফালে প্ৰদক্ষিণ কৰাৰ লগতে নিজৰ মেৰুদণ্ডৰ ওপৰত চৌবিশ ঘণ্টাত এবাৰ আৱৰ্তন কৰি আছে। গ্ৰহ আৰু পৃথিবীৰ এই গতি প্ৰাকৃতিক নিয়ম। এই একে নিয়মানুসাৰে চন্দ্ৰ পৃথিৱীৰ চাৰিওফালে ঘূৰে। এই সকলোবোৰকে লৈয়েই সৌৰজগতৰ সৃষ্টি। গভিৰ ৰাতি ওখ পৰ্ব্বতৰ টিঙৰ পৰা গ্ৰহ-নক্ষত্ৰবোৰ পৰ্য্যাবেক্ষণ কৰি নিজৰ তথ্যৰ প্ৰতিপন্ন কৰিবলৈ চেষ্টা কৰিছিল। কিন্তু তেওঁ বহুতো তথ্য আৱিষ্কাৰ কৰিও পাইথাগোৰাচৰ দৰে নিৰৱে আছিল।

ক'পাৰনিকাছৰ মৃত্যুৰ কিছুদিন আগতে তেওঁৰ যুগান্তকাৰী কিতাপখনৰ ভূমিকাত তেওঁ লিখিছিল: "এই কিতাপখনৰ উদ্দেশ্য বৈজ্ঞানিক সত্য প্ৰচাৰ কৰা নহয়; ইয়াত লিখা সকলো কথাই লিখকৰ কল্পনা-বিলাস মাথোন।" তেওঁ যদিও জানিছিল যে তেওঁৰ আৱিস্কৃত তথ্যবোৰ সম্পূৰ্ণ সত্য তথাপি সেই সময়ৰ একছত্ৰী ক্ৰোধৰ পৰা মহামূল্য কিতাপখন ৰক্ষা কৰিবৰ বাবেই কিতাপখনৰ ভূমিকালিপিত এই কথাখিনি লিখিছিল। কিতাপখন প্ৰকাশ কৰাৰ ভাৰ তেওঁৰ এজন বন্ধুৱেই লৈছিল। কিন্তু তেওঁ কিতাপখন প্ৰকাশ হোৱা চাই যাবলৈ নাপালে। ১৫৪৩ চনৰ মে মাহৰ শেষ ভাগত কিতাপখনৰ প্ৰকাশ হয়। ১৫৪৩ চনৰ ২৪ মেত তেওঁৰ দেহাৱসান ঘটে। জীৱিত কালত ক'পাৰনিকাছে যদিও বিজ্ঞানী হিচাবে স্বীকৃতি নাপালে, পৰৱৰ্ত্তী কালত কেওঁৰ নাম বিশ্বৰ বিজ্ঞানীত আৰু দাৰ্শনিকৰ মাজত তোটা তৰাৰ দৰে জিলিকি ৰ'ল।

● ● ●

# ••• সাম্প্ৰতিকী •••

● নৰকুমাৰ ভট্টাচাৰ্য্য
২য় বাৰ্ষিক ( বিজ্ঞান )

আমাৰ দেশে স্বাধীনতা পোৱাৰ ২৬ বছৰ পাৰ হৈ গ'ল। সৌ সিদিনা পূৰ্ণ পয়োভৰেৰে দেশৰ সমগ্ৰ ঠাইতে স্বাধীনতাৰ ৰূপালী জয়ন্তী পালন কৰা হল। দেশৰ এই ৰূপালী জয়ন্তীৰ আনন্দত দেশৰ প্ৰত্যেক জনে যোগ দিব পাৰিলেনে ? যি সময়ত এক শ্ৰেণীৰ লোকে হৈ-চৈ কৰি ৰূপালী জয়ন্তী পালন কৰিলে সেই একে সময়তে দেশখনৰ আন এক শ্ৰেণীৰ লোকে হা ভাত হা কাপোৰ বুলি হুমুনিয়াহ কাঢ়ি থাকিল। শেষোক্ত এইচাম লোকৰ বাবে স্বাধীনতাৰ এই ৰূপালী জয়ন্তীৰ তাৎপৰ্য্য বা ক'ত ? স্বাধীনতাৰ পিচৰ এই সুদীৰ্ঘ কালছোৱাত এই শ্ৰেণী লোকৰ এমুঠি ভাত আৰু এডোখৰ কাপোৰৰ কাৰণে চৰকাৰে প্ৰকৃততে কিবা কৰিলেনে ?

দেশৰ জনসাধাৰণৰ অৱস্থা আজি এনেকুৱা হোৱাৰ মূলতেই হল চৰকাৰৰ কথা আৰু কামৰ মাজত যোগ্য শূন্যতা আৰু সাধাৰণ ৰাইজৰ ওপৰত চলোৱা চৰকাৰৰ পৰোক্ষ শোষণ। বৰ্ত্তমানৰ সমাজখনলৈ চালে, জন-সাধাৰণৰ অৱস্থালৈ চালে চৰকাৰৰ উদাসীনতা ওলাই পৰে। শাসনত অধিষ্ঠীত দলে গাদী ৰক্ষাৰ্থে জন-সাধাৰণৰ মনোৰঞ্জনাৰ্থে ৰাইজৰ আগত নানান মিঠা কথা কৈ জনসাধাৰণৰ প্ৰিয় ভাজন হব খোজে। জনসাধাৰণৰ মঙ্গলাৰ্থে তেওঁলোকে নানান পন্থা হাতত লোৱা বুলি প্ৰচাৰ কৰে কিন্তু কাৰ্য্য ক্ষেত্ৰত তাৰ সম্পূৰ্ণ বিপৰীতহে দেখা যায়। এটা কথালৈ আঙুলিয়াই দিলেই এই কথাৰ স্পষ্ট প্ৰমাণ ওলাই পৰে। যেনে—চিলিং আইন। এই আইন অনুসৰি কোনো ব্যক্তিৰ চৰকাৰে ধৰি দিয়া নিৰ্দ্দিষ্ট পৰিমানতকৈ (৫০ বিঘা) বেচি মাটি ৰাখিব নোৱাৰে। উদ্বৃত্ত হোৱা মাটিখিনি চৰকাৰে মাটিহীন খেতিয়কৰ মাজত ভগাই দিয়াৰ কথা। কিন্তু আজিলৈকে কোনো ভূমিহীন খেতিয়কে মাটি পালেনে ? চিলিং আইন প্ৰৱৰ্ত্তন কৰাৰ কথা ভবাৰ লগে লগে অধিক মাটিৰ গৰাকী সকলক মাটি সংৰক্ষণৰ পথটো চৰকাৰেই মুকলি কৰি দিছে। এই সুবিধাৰ ফলত তেওঁলোকে নিজৰ মাটি সম্পত্তি পৰিয়ালৰ বিভিন্নজনৰ নামত ভাগ কৰি লৈছে। যদি উদ্বৃত্ত সম্পত্তি ৰক্ষাৰ উপায় চৰকাৰে দিবই পাৰে; তেনেহলে সেইখন চৰকাৰেই চিলিং আইনৰ সৃষ্টি কৰাৰ যুক্তি ক'ত ? অৰ্থ ক'ত ?

আন এটা লক্ষ্য কৰিবলগীয়া কথা হৈছে ৰাইজৰ ওপৰত চলি থকা চৰকাৰৰ পৰোক্ষ শোষণ কাৰ্য্য। এনেকৈ শোষণ কৰাৰ উদ্দেশ্য চৰকাৰে একশ্ৰেণীৰ লোকক হাত কৰা। এইশ্ৰেণী লোক হল ব্যৱসায়ী শ্ৰেণী। এই ব্যৱসায়ী শ্ৰেণীয়ে সময় আৰু সুবিধা বুজি বজাৰত বয় বস্তুৰ কৃত্ৰিম নাটনিৰ সৃষ্টি কৰে; ইচ্ছাকৃত ভাবেই বয় বস্তুৰ মূল্য বৃদ্ধি কৰি দিয়ে। এইদৰে এওঁলোকে সৰ্ব্বসাধাৰণৰ ওপৰত প্ৰত্যক্ষ ভাবে শোষণ চলাই আছে। কিন্তু ব্যৱসায়ী শ্ৰেণীৰ এই ঘৃনণীয় কাৰ্য্য দেখি শুনিও চৰকাৰ নিৰ্বাকাৰ। এই মৌনতাই স্পষ্টকৈ বুজাই দিয়ে সাধাৰণ ৰাইজৰ ওপৰত চলি থকা তেওঁলোকৰ পৰোক্ষ শোষণৰ কথা। এই

বিলাক জনবিৰোধী ব্যৱস্থাৰ বাবেই আজি দেশৰ অৱস্থা ক্ৰমাৎ বেয়াৰ ফালে ঢাল খাইছে। গাৱেঁ-ভুৱেঁ, দেশৰ চুকে-কোণে লোকে অৰ্দ্ধাহাৰে-অনাহাৰে জীৱন-যাপন কৰিব লগীয়া হৈছে। গাওঁৰ লোক-সকলে বাধ্য হৈ ভিক্ষা বৃত্তি অৱলম্বন কৰিবলৈ ৰাওনা হৈছে। স্বাধীনতাৰ আগতে যিখন গাওঁত শতকৰা ৭০ জন লোকে সুখে-সন্তোষে দিন নিয়াব পাৰিছিল আজি স্বাধীনতাৰ ২৬ বছৰ পিচত সেইখন গাৱত শতকৰা ২০ জন লোকেও ঠিকমতে জীৱন-যাপন কৰিব পৰা নাই। ইয়াৰ মূলতেই জানো আমাৰ স্বাধীন চৰকাৰৰ ভুল ব্যৱস্থাসমূহ নহয়? গতিকে দেশৰ জনসাধাৰণৰ এই দুৰাৱস্থা যদি আঁত-ৰাব লগা হয়; দেশৰ পৰা যদি দৰিদ্ৰতা দূৰ কৰিব লগা হয়; তেনেহলে পোনতে কৰিব লাগিব বৰ্ত্তমানৰ সমাজ ব্যৱস্থাৰ চৰম পৰিবৰ্ত্তন। আৰু এই পৰিবৰ্ত্তন আনিবলৈ হলে লাগিব সংগ্ৰাম, আন্দোলন। এই সংগ্ৰামৰ, এই আন্দোলনৰ আৰম্ভণীতেই আৱশ্যক হ'ব সংগঠনৰ। আৰু এই সংগঠনত প্ৰথম সেনা স্বৰূপে আগবাঢ়িব লাগিব আমি ছাত্ৰসমাজ। আমি ছাত্ৰ-সমাজেই দেখুৱাই দিব লাগিব একত্ৰ পথৰ সন্ধান; সচেতন কৰি তুলিব লাগিব জনসাধাৰণক।

অৰ্থনৈতিক উন্নতিৰ কাৰণে চিন্তা কৰাৰ লগে লগে আন এটি চিন্তা কৰিব লগীয়া কথা হল আমাৰ শিক্ষা ব্যৱস্থাৰ আমূল পৰিবৰ্ত্তন। বৰ্ত্তমানৰ যি শিক্ষা ব্যৱস্থা—তাৰ আমূল পৰিবৰ্ত্তন হোৱাটো আমি বিচাৰো। কাৰণ বৰ্ত্তমানৰ শিক্ষাব্যৱস্থাই শিক্ষাৰ্থীৰ জিজ্ঞাসু মনক বৰ্দ্ধিত, পুষ্ট কৰাৰ ঠাইত তাক হত্যাহে কৰিছে। যি শিক্ষাব্যৱস্থাই ছাত্ৰ সমাজক পঙ্গু আৰু অকামিলা কৰিছে সেই শিক্ষাব্যৱস্থাৰ প্ৰয়োজন নে? দেশৰ অৰ্থনৈতিক আৰু সামাজিক সমস্যাৰ পৰিপ্ৰেক্ষিতত জানো আমাৰ শিক্ষানীতি গঢ়ি তোলা হৈছে? দিনে দিনে শিক্ষিত নিবনুৱাৰ সংখ্যা কিয় বাঢ়ি আহিছে?

বৰ্ত্তমানৰ শিক্ষা পদ্ধতি অনুসৰি এটা নিৰ্দ্দিষ্ট সময়ৰ ভিতৰত এটা নিৰ্দ্দিষ্ট পাঠ্যক্ৰমত ছাত্ৰসকলক শিক্ষা দিয়া হয়। নিৰ্দ্দিষ্ট সময়ৰ মূৰত উক্ত পাঠ্য-ক্ৰমৰ ওপৰত ছাত্ৰজনৰ জ্ঞান জোখাৰ মানসেৰে প্ৰমো-চনী পৰীক্ষা পাতি জ্ঞানৰ অধিকাৰী একোখন চাৰ্টি-ফিকেট দিয়া হয়। আৰু তাতেই শেষ। এটা নিৰ্দ্দিষ্ট বিষয়ৰ পাঠ্যক্ৰমে এজন ছাত্ৰৰ মাজত থকা কৌতুহল বা এষনা কিমানখিনি বৰ্দ্ধিত কৰিলে; তেওঁৰ মানসমনৰ কি পৰিমাণে সেই পাঠ্যক্ৰমৰ দ্বাৰা পুষ্ঠ হ'ল তাৰ খবৰ ৰাখে কোনে? উদাহৰণ স্বৰূপে এটা বিষয়ৰ কথাকে কোৱা যাওঁক,—উদ্ভিদ বিদ্যা। বৰ্ত্তমানৰ শিক্ষা পদ্ধতি অনুসৰি আমাৰ মাজৰ ভালেমান লৰা ছোৱালীয়ে প্ৰতি বছৰে এই বিশেষ বিষয়টোত স্নাতক মহলাৰ অনাৰ্চত প্ৰথম শ্ৰেণী লাভ কৰি আছে। প্ৰথমশ্ৰেণী লাভ কৰা এজন শিক্ষাৰ্থীৰ এই বিষয়ত হব লগীয়া জ্ঞান হয়নে? নিশ্চয় নহয়। কাৰণ বৰ্ত্তমানৰ শিক্ষা ব্যৱস্থাত থকা পৰীক্ষাৰ পদ্ধতি অনুসৰি নিৰ্দিষ্ট পাঠ্যক্ৰমৰ ওপৰত পৰীক্ষাৰ সাম্প্ৰত্য কিছুমান প্ৰশ্ন পঢ়ি গলেই পৰীক্ষাত কৃতিত্ব অৰ্জন কৰাৰ সাহস গোটাব পাৰি। কেইটামান প্ৰশ্ন অনৰ্গল মুখস্থ কৰি গলেই পৰীক্ষাত সুফল অৰ্জন কৰিব পাৰি। কিন্তু এনে ধৰণৰ শিক্ষা প্ৰকৃত শিক্ষা কেতিয়াও হব নোৱাৰে।

শিক্ষা ব্যৱস্থাৰ আন এটা মূল উদ্দেশ্য হব লাগে শিক্ষাৰ্থীক নিজৰ ওপৰত নিৰ্ভৰ কৰিবলৈ শিকোৱাটো। উপযুক্ত শিক্ষাত শিক্ষিত হৈ ভৱিষ্যত জীৱনৰ যাতে পৰমুখাপেক্ষী হব নালাগে তেনে ব্যৱস্থা শিক্ষা ব্যৱস্থাত থকা দৰ্ক.ৰ। ইয়াৰ কাৰণে প্ৰধানকৈ আৱশ্যক হব কাৰিকৰী শিক্ষাৰ। আমাৰ দেশত কাৰিকৰী শিক্ষানুষ্ঠান কেইখনমান মাত্ৰ আছে। কিন্তু এটা কথা ঠিক যে অকল কাৰিকৰী শিক্ষা ব্যৱস্থা কৰিলে নহব; তেনে ব্যৱস্থাত শিক্ষিত সকলক সংস্থাপনৰ দিহাও লগে লগেই কৰিব লাগিব। তেনেকুৱা নকৰাৰ ফলতেই আমাৰ দেশত কাৰিকৰী শিক্ষাত শিক্ষিত যুৱকো নিবনুৱা হৈ থাকিব লগীয়া হৈছে। কাৰিকৰী শিক্ষাৰ প্ৰতি ছাত্ৰৰ আগ্ৰহ বাঢ়ি আহিছে।

বৰ্ত্তমানৰ প্ৰচলিত শিক্ষা ব্যৱস্থাৰ এটা প্ৰধান

আৰু গুৰুতৰ আসোঁৱাহ হল সমাজ বিমুখতা আৰু জন বিমুখতা। এই বাস্তব বিমুখী সমাজ বিমুখী শিক্ষাৰ বাবে আজিও আমাৰ শিক্ষা ব্যৱস্থাই জন জীৱনৰ অন্ধকাৰ গুচাব পৰা নাই। মুঠ জন সংখ্যাৰ এক শকত অংশ আজিও নিৰক্ষৰ; অশিক্ষিত। ঠায়ে ঠায়ে স্কুল কলেজ পাতি তাত হাজাৰ হাজাৰ ছাত্র ছাত্রীক ভৰ্ত্তি কৰিলেই শিক্ষা ব্যৱস্থাৰ লক্ষ্য সাধন নহয়; যদিহে সেই শিক্ষাক ছাত্র ছাত্রীৰ মানসিক বুদ্ধি বৃত্তিক বিকাশৰ এটি সবল সুস্থ পথৰ সন্ধান দিব নোৱাৰে। যি শিক্ষা ব্যৱস্থাই শিক্ষাৰ্থীক নিৰস্থুৱা কৰে, যি শিক্ষা ব্যৱস্থাই জন জীৱনক জানিবলৈ উদগাব নোৱাৰে; তেনে শিক্ষা ব্যৱস্থা নিশ্চয় কোনো শিক্ষাৰ্থীৰ বাবে মঙ্গলজনক হব নোৱাৰে।

ডঃ হীৰেন গোহাঁই দেৱে এবাৰ কথা কৈছিল—"ভগা ঘৰ এটি মেৰামতি কৰি কোনো লাভ নাই; তাক সম্পূৰ্ণৰূপে ভাঙি তাৰ ঠাইত এটা নতুন ঘৰহে সাজিব লাগে।" সেয়েহে মই ভাবো বৰ্ত্তমানৰ যি শিক্ষা ব্যৱস্থা, যি সমাজ ব্যৱস্থা তাক সম্পূৰ্ণ ৰূপে নিশ্চিহ্ন কৰি নতুন এক শিক্ষা ব্যৱস্থা গঢ়ি তুলিব লাগে।

● ● ●

---

মৌনতা সদায় ভাল নহয়—গণতন্ত্ৰত। কিন্তু গৰ্ভত কৰ্ত্তব্যৰ আন্তৰিকতা থকা মৌনতা বৰ সুন্দৰ। আমাৰ সমাজৰ সকলো স্তৰতে এতিয়া Preciseness অৰ বৰ আৱশ্যকতা দেখা গৈছে। অন্যায় দেখি মৌন থকাটো বেয়া, পিচে সেই মৌনতাত যদি ভবিষ্যতৰ কামৰ Positive আঁচনি সোমাই থাকে আৰু সেই আঁচনি কাৰ্য্যকৰী কৰি সেই অন্যায়ৰ উত্তৰ দিব পৰা যায় তেতিয়া সেই মৌনতা হয় মোহনীয়।

ভূপেন হাজৰিকা

---

# কবিতা

# ॥ যদি পূৰ্ণ হয় ॥

উজ্জ্বল দে
তৃতীয় বাৰ্ষিক বিজ্ঞান

জন্মতকৈ মৃত্যু দয়াময়। কাৰণ মৃত্যু হ'ল স্মৃতি
চলমান তৃষ্ণা—ই বই যায় শৰীৰৰ পাৰ ভেদি
আৰু জীৱন? ইটো ঘৰে বিদেশিনী হৈ প্ৰতিদিন
অবিকৃত হয় ইয়াৰ অস্থিত্ব মাথো ভাল পোৱাত।

সেয়ে মই বিচাৰো বেদনা, যি বহি আছে স্তব্ধ আলোকত
নিয়তিৰ সৈতে সখী পাতি অগ্নিহীন দীপ শিখা
জ্বলাই বাসনাৰ ক্ষত বিয়পাই
—বুজিছোঁ কিজানিবা মোৰেই পৰশত জ্বলে দ্বীপ শিখা?

ওপজিয়েই বা মই পাইছো কি? জননী আৰু জায়াৰ হৃদয়
স্তনৰ সুনিদ্ৰা আৰু বন্যতৰ নিদ্ৰাৰ প্ৰলেপ?
নাই বৰং মৃত্যুও ভাল ইয়াতকৈ; জীয়াই থকাৰ
প্ৰতিটি মুহূৰ্ত্ত চোন মৃত্যু যেন অনুভব হয়।

কাৰণ যি নাই সেয়ে স্মৃতি; তৃষ্ণাতুৰৰ
তৃষ্ণাই শাস্তি, ক্ষতিৰ প্ৰতীক।
বহু সাধনাৰ বিনিময়ত যদি পূৰ্ণ হয় এই মোৰ আশা
মইও বেতালসিদ্ধ হৈ চুই যাম শিল্পীৰ ধমনী।

• • •

# বিহুৱা

আমিনুল হক
দ্বিতীয় বাৰ্ষিক বিজ্ঞান

কেৱল মযেই মাথোন মৌন
মোৰ দুচকুত
কাৰ ভাষা সুস্পষ্ট ?

এটাই মাথোন কথা
জীৱন জীয়াই তোলা
কঠিন এই ভাষা ?
প্ৰকাশ কৰা

কিহৰ উন্মাদনাত অনুতপ্ত
মই আজি মত্ত

তেজে তেজে মোৰ
সিঞ্চিত উন্মনা
গোপন স্বপ্নৰ
নিবিড় বেদনা ?

বহাগত উৰে আজি
যৌৱনৰ সোণালী ৰঙ
দুখ জানো মোৰ ?
এয়া মোৰ বিহুৱা মন ।

● ● ●

# দুটি কবিতা

গিৰীশ কলিতা
প্ৰাক বিশ্ববিদ্যালয়
প্ৰথম বাৰ্ষিক বিজ্ঞান

## ফাঁচী

ভগ্ন খিৰিকীত বাজি ৰয় আমাৰ কথাৰ মৃদুস্বৰ

বাহিৰত তীব্ৰ কোলাহল
বাসুকীয়ে বাকি দিছে যেন বিষ হলাহল,
মোৰেই কাণত নেকি কিবা হ'ল ।

বেৰত আমাৰ ছাঁবোৰে ভবিষ্যত গণিছে,
মোৰ ছাঁৰ গল
বেৰত ওলমি ৰ'ল ।

## কেতেকী

পাহি ভাঙি আনিছো কেতেকী
দেহত তেজৰ নৈ, ই-কি ?

● ● ●

# বিবৰ্ত্তন

শীতৰ সেমেকা ৰাতি
মহা নগৰীৰ ৰাস্তাৰ দাঁতিত
ফুট পাথত,
"ৰেলৱে অ'ভাৰব্ৰীজ'ত
অৰ্দ্ধমৃত, অৰ্দ্ধ নগ্ন
অলেখ নৰ কঙ্কাল;
চিন্ন বস্ত্ৰখনিৰে নগ্ন দেহটি ঢাকি
কুঁচিমুচি পৰি থাকি
পুৰাৰ ৰদকাঁচিয়লিৰ স্বপ্ন দেখে
সিহঁতৰ কোটোৰা চকুত
মৰি মৰি জী থকাৰ
আকুল বাসনা।
আৰু আমি—
কোমল তুলি আৰু লেপৰ তলত
শুই শুই প্ৰগতিৰ সপোন দেখো
কিতাপ আৰু প্ৰচাৰ পত্ৰিকাৰ পাত
বখলা-বখলি কৰোঁ।

০ ০ ০ ০

ভাবো—
হিম চেঁচা এই শীতৰ ৰাতি
সিহঁত যেন এৰোটি
প্ৰচণ্ড উল্কাপিণ্ড হওঁক,
জলন্ত অগ্নিশিখা হৈ
আবৰ্জনাময় সমাজক
পুৰি পুৰি ভষ্ম কৰক;
জাগ্ৰত জ্বালামুখি হৈ
শতাব্দীৰ সঞ্চিত বেদনাৰ
গলিত লাভা আৰু ছাইৰে
সভ্যতাক কবৰ দিয়ক—।
কাঁচিয়লি ৰ'দজাকে
পৃথিৱী উদ্ভাসিত কৰক।

ৰচনা:
**শ্ৰীৰহেশ্বৰ ৰাভা**
তৃতীয় বাৰ্ষিক কলা

# এই কুঁৱলীতে

অধ্যাপক
নলিনীধৰ ভট্টাচাৰ্য্য

কোন ক'ত আছা এই কুঁৱলীতে ওলাই আহাঁ
ভ্ৰান্তি আৰু দুৰ্বলতাৰ দেৱাল ভাঙি
বধিৰ অধীৰ সকলো ওলাই আহাঁ

দূৰৰ কপট টপ্পা-ঠংৰী শুনি শুনি
আমি নশুনিলোঁ
চহৰ, গাৱঁৰ পতনৰ শব্দ
আমি নুশুনিলো জাৰৰ ৰাতিৰ
উজাগৰ উচুপনি
আমি নেজানিলো আমাৰ বাবে
সাগৰো শুকায়, মানিকো লুকায় কিয় ?

কোন ক'ত আছা এই কুঁৱলীতে ওলাই আহাঁ
হাতৰ হাতুৰী দাঙ
জাৰৰ ৰাতি মাটিৰ বুকুত ক্ৰোধৰ বিস্ফোৰণ
কান পাতি শুনা,

আমাৰ তেজৰ চেকুৰাৰে ৰঙা এই মাটি
আমাৰ ঘামৰ টোপালেৰে ধোৱা এই মাটি

কোন ক'ত আছা বধিৰ অধীৰ এই কুঁৱলীতে
ওলাই আহাঁ, এয়াই সময়
বিস্ফোৰণৰ শব্দ শুনাৰ
আমাৰ সকলো খৰ্বতা পোৰাৰ
এয়াই সময়,
কোন ক'ত আছা সকলো মাথোন
ওলাই আহাঁ !

• • •

# গীত

## দুটি গীত

অধ্যাপক
বিৰিঞ্চি কুমাৰ মেধি

(১)

এই বন্ধন পলকৰ বাবে
পাহৰিব পাৰো যদি
এই ৰিমঝিম্ আবেলিতে হব
হৃদয় এখন নদী
হব পাৰে, হব পাৰে ।

কি ইন্ধন আছে ত'ৰাত
জ্বলে মনৰ জুই
আইভিলতাৰ কোমল দেহাত
জোনাক থাকিল শুই
এই গধূলিতে ৰিক্ত হৃদয়ে
ৰূপকথা কয় যদি
কব পাৰে, কব পাৰে ।

মই বৈ থকা পদূলি মুখৰ
গুলচ জোপাত যদি
গভীৰ ৰাতিৰ মেঘৰ নদী
থমকি জিৰায় আহি
মনৰ বনত ফুলিবনে বাৰু
ভূমিচম্পাৰ পাহি
ফুলিবনে, ফুলিবনে ?

(২)

মই আনিলো লৈ আহিলো
আকাশৰ নীলা মন
যিদৰে গোটায় ৰঙা পখিলাই
কৃষ্ণচূড়াৰ ৰং ।

জোনৰ ডিঙৰা চাপিল এতিয়া
মেঘৰ নদীৰ ঘাট
ৰাতিৰ আকাশ উখল মাখল
হাতীপটিৰ বাট
মই আনিলো মই সানিলো
সোণ-সোণাৰুৰ ৰং
মোৰ খিৰিকীত থমকি জিৰালে
বিশাল আকাশখন ।

পূবাৰ পোহৰ মোৰ কোঠালীত
পাৰিজাত ফুল হ'ল
আইভিলতাৰ শিৰাই শিৰাই
পুলক বগাই গ'ল
এজাক বতাহে কপাঁই গ'লহি
হৃদয় উপবন
প্ৰীতি-স্মৃতি আৰু চিনাকীৰ ৰঙে
ছবি কৰে মোৰ মন ।




শেৰালী সৰা শৰতৰ এটি মনোৰম নিশা। দলংখনৰ ওপৰত বৈ গলো। পুৰণা কাঠৰ দলং, তলেৰে বৈ থকা পাহাৰী নৈ খনৰ কোবাল সোঁতে পুৰণা হৈ অহা খুটা কেইটা কঁপাই আছে। তলৰ নৈ খনৰ বোঁৱতী সুঁতিত কিবা এটা উজ্জল বস্তু কঁপি থকা দেখিলো। অ'—জোনটো! আকাশৰ জোনটো বোৱঁতী পানী ধাৰাৰ অস্থিৰতাত স্থিৰ হব পৰা নাই। আকাশলৈ চাই মই তধা লাগিলোঁ। এটি ধুনীয়া জোনে অকলশৰে নীল আকাশখন মোহনীয় কৰি তুলিছে। ইমানপৰে একো ভবা নাছিলো। জোনটোৱে অন্তৰত যেন অকণো অনুভূতিৰ সৃষ্টি কৰিব পৰা নাছিল। এই শৰত, শৰতৰ মাধুৰ্য্য, হয়তো সৃষ্টিৰ আদিৰে পৰা আছে; তেতিয়াৰে পৰা হেজাৰ হেজাৰ মানুহৰ প্ৰাণ শৰতে হেন্দোলিত কৰি আহিছে; মোহিত কৰি আহিছে। কিন্তু আজি আমাৰ দেখোন শৰতৰ শেৱালী সৰা নিশাবোৰত, স্নিগ্ধ জোনাকৰ জোৱাৰ উঠা নিশাবোৰত মন প্ৰাণ নাচি নুঠে; সৌন্দৰ্য্য উপলব্ধিৰ অনুভূতিত মন বিলাকে হাঁহাকাৰ কৰি নুঠে। আজি বাস্তৱৰ নিষ্ঠুৰতাত মনৰ সকলো বাহিক অনুভূতিৰ মৃত্যু হৈছে। তথাপি মূৰৰ ওপৰত থকা জোনটো আৰু তলত ছবি ছবি যেন লগা জোনটোত ডুব গৈ থকা প্ৰকৃতিখন দেখি মনটো ভাল লগাবলৈ যত্ন কৰিলো। কিন্তু আঠোতা বছৰৰ দুখ বেদনাইহে যেন মোক দলংখনৰ ওপৰত হেঁচা মাৰি ধৰিলেহি। দীঘল হুমুনিয়াহ এটি ওলাই আহিল। নদীখন আজিও একে গতিৰে বৈয়েই আছে, পাহাৰটো একে ঠাইতেই আছে। জোনাকত পাহাৰখন এটা কলা দৈত্য যেন লাগিছে। আজি আঠোতা বছৰে নৈ খনেৰে বহু পানী বৈ গ'ল বহু কাহিনী সৃষ্টি কৰি এৰি থৈ গ'ল। কিন্তু ···। গাওঁখন নীৰৱ, গাঁৱখনৰ নিস্তব্ধতা ভঙ্গ কৰি মোৰ বুকুৰ ঢপ ঢপ যিটো ওলাই অহা যেন লাগিল অকাৰণতে অন্তৰখন কঁপি উঠিল। কোনেও এতিয়ালৈকে মোক দেখা নাই, কোনোবাই জোনাকত বহি নিশাৰ শেৱালী বিচাৰিছে, কোনোবাই চিঞৰি পঢ়িছে—যত্ন কৰিলে ৰত্ন পায়, কৰবাত বৈ বৈ কুকুৰে ভুকিছে, আৰু কোনোবাই যৌৱনৰ চঞ্চলতাতে কোনো এজোপা গছৰ তলত বৈ বাঁহি বজাইছে। বাঁহিৰ করুণ সুৰটোৱে এটি হাঁহাকাৰৰ সৃষ্টি কৰি ওচৰৰ পাহাৰটোৰ বুকুত ঠেকা খাইছেগৈ।

এইখন গাওঁ বহু মৰমেৰে ভৰা; এইখন গাওঁ

মোৰ জন্মস্থান। কিন্তু আজি মই এইখন গাঁৱলৈকে আহোতে বুকুখন কঁপিছে; কিবা এটি বেদনাই মনটো ভাৰাক্ৰান্ত কৰি তুলিছে। এইখন গাঁৱলৈকে আহিবলৈ মই ৰাতিৰ আশ্ৰয় লব লগীয়া হৈছে। মোৰ আগমনত গাওঁৰ পাহাৰটো যেন কপি উঠিছে। পাহাৰীয়া নদী খনে যেন চিৎকাৰ কৰি উঠিছে।

গাওঁখনৰ মাটিত ভৰি দি পুনৰ কোনেও নেদেখা-কৈয়ে গুছি যাম যেন লাগিল। মই আহিলো কিয়···? শৰত কালৰ এটা জোনাক নিশাই মোৰ মনৰ বেদনা বোৰ গভীৰ কৰি তুলিলে। এইখন গাওঁ আজি বহু দিন দেখা নাই। আজি বহুদিন মই এইখন গাৱৰ পৰা পলাই ফুৰিছিলো। বহুদিন পুঁৱতী নিশাৰ বকুলৰ সুৰভিয়ে মোক উন্মনা কৰা নাছিল। আকাশৰ জোনটো দেখি বহুদিন মই মোহিত নোহোৱাকৈ আছিলো। আজি বহুদিনৰ মূৰত আকাশত জোনাক দেখি, জোনাকত ডুবি থকা নীৰৱ ধুনীয়া পৃথিৱীখন দেখি মন টো কিবা কিবি লাগিছে। কি এক অপাৰ্থিব সৌন্দৰ্য্যই আজি মোৰ মনটো কোমল কৰি পেলাইছে। স্নিগ্ধ প্ৰকৃতিৰ লগত আপোনহৈ মিলি যাবলৈ মোৰ আজি ইচ্ছা হৈছে। ইচ্ছা হৈছে জোৰেৰে চিঞৰি দিবলৈ, খুব জোৰেৰে। পাহাৰৰ বুকুত ঠেকা খাই মোৰ মাতটো মিলি যাওঁক চাৰিওফালে; সকলোৱে জানক—মই আহিছো··! — 'মই আহিছোঁ!' এটি অবিশ্বাস্য কথা। এইখন ঠাইলৈ মই আকৌ আহিম বুলি কোনেও নেজানে। তথাপি আহিছোঁ! কিন্তু এইখন ঠাইলৈ মই আজি এক অনাহুত অতিথি, মোক আজি আৰু কোনেও নিবিচাৰে! অথচ··· ··· ···! সুদীৰ্ঘ আঠোটা বছৰৰ পিচত মই এয়া গাৱঁলৈ আহিছো! কিন্তু কিয়? কিয় মই আহিলো? ইয়ালৈ কেতিয়াবা আহিম বুলিতো ভবা নাহিলো! এইখন ঠাইলৈ কেতিয়াবা অহাৰ কথাটো মোৰ নাছিল! তথাপি আহিলো। এইখন অভিশপ্ত ঠাই। ইয়াৰ প্ৰতিটো ঘাহৰ পাতত, প্ৰতিটো গছৰ পাতত চকুপানী। কৰুণ অতৃপ্ত কিছুমান হুমুনিয়াহ ইয়াৰ আকাশে বতাহে ভাহি ফুৰে! মই নিজেই বুজা নাই কিহৰ তাড়নাত গাওঁ পালোঁহি! মোৰ বাবেতো গাৱঁত আজি একো নাই। গাঁৱৰ বুকুৰ পৰা আজি মোৰ স্মৃতি, মোৰ পৰিচয় হেৰাই গৈছে! ··· ···আঠোটা বছৰৰ মূৰত গাঁৱলৈ উভতিছো। মই আহিম আহিম বুলি আজি কোনেও বৈ থকা নাই। মোৰ আগমনৰ বাবে অকণো উল্লাস নাই আছে বৈ মাথো হেৰোৱা স্মৃতি, বেদনা!

০ ০ ০ ০ ০ ০ ০

"উঠ" বুলি কোনোবাই কোৱাৰ আশাত চকু মুদি বিচনাত পৰি থকাৰ স্বভাবটো এৰাৰ বহুদিন হল। সাৰ পাওঁতে পুবে ঢল ফাঁট দি উঠি আকাশখনৰ এটা 'ডাঙৰ বিন্দু' ৰাঙলী হৈ উঠিছে। প্ৰভাত তেতিয়াও টোপনিত লালকাল। বাহিৰত এটি নতুন পুৱাৰ জন্মৰ আনন্দ। শৰতৰ প্ৰথম নিয়ৰৰ কণিকাবোৰ সূৰ্য্যৰ কোমল পোহৰত 'মুকুটা' হৈ জিলিকি উঠিছে।

হঠাৎ ৰাতি মোক দেখি প্ৰভাতে মৰা অস্বাভাবিক চিঞৰটোত গাওঁখনে 'কিবা এটি হোৱা'ৰ গম পাইছিল। খুৰীদেউ ওলাই আহি মোক দেখি অবাক হৈ গৈছিল।

"এইটো সুশান্ত নহয়নে!" খুৰীদেউৰ অবাক চকুদুটা লেমৰ পোহৰত চাই কোনোমতে কৈছিলো— "খু-ৰী দে-উ·· ম-ই-·· !" খুৰীদেৱে কথা কব পৰা নাছিল। খুৰীদেউ আপোন খুৰী নহয়, প্ৰভাতৰ মাক।

আঠবছৰ আগতেও এনেকৈয়ে ৰাতি পুৱাইছিল। একোছাতি মৃদু বতাহ এনেকৈয়ে পাহাৰটোৰ পৰা বৈ আহিছিল, আজিৰ পৰা আঠবছৰ আগতেও পাহাৰটোৰ সিফালৰ পৰা মূৰ দাঙি চোৱা বেলিটোক পাহাৰৰ টিঙত থকা শালগছবোৰে লুকাই ৰাখিবলৈ যত্ন কৰিছিল। আজিও এইখন আহিনৰ সেউজবুলীয়া ধাননী পথাৰৰ ওপৰে ওপৰে ঢৌ তুলি তুলি বতাহছাটি বহুদুৰলৈ গুছি যায়। সকলো একে আছে ভাব হয় এইখন গাৱৰ বুকুত কোনো দিনে যেন একো ঘটা নাছিল, কিবা এটি মৰ্মন্তুদ কাহিনী যেন এইখন গাঁওৰ বুকুত ঘটা নাছিল! ইমান উদাস ইমান নীৰৱ, ইমান গতিহীন! ব্যস্ত সমাজত দুৰন্ত গতিৰে চলি থকা পৃথিৱীখন ক্লান্ত হৈ এইখিনিতে যেন ক্ষন্তেক থমকি

ৰৈছে। পৃথিৱীখনে কাৰো দুখ বেদনাৰ খবৰ নেৰাখে। —লাহে লাহে গৈ থকাৰ পৰা মই ৰৈ গলো। মোৰ ভাবৰ আঁতডাল যেন হঠাৎ হেৰাল।

--মোৰ খোকোজা লাগিল; কিন্তু ভুল হোৱা নাই, ভুল নহয়। তথাপি এক অচিনাকী করুণ পৰিবেশে মোৰ ভুল লগাব খুজিলে। ঠিক এইখনেই মোৰ জন্ম-ভেঁটি! এক করুণ সত্যৰ উপলব্ধিত চিয়ঁৰি চিয়ঁৰি কান্দিবলৈ মোৰ মন গ'ল। সেই বুঢ়া ঔ-জোপা এতিয়াও আছে, আৰু আম-কঠালবোৰো আগৰ দৰেই থিয় হৈ আছে। কিন্তু নাই বহুত কিব কিবি আজি নাই, বহুত কিবাকিবি আজি হেৰুৱাইছো।

"বোপাই, এই ৰাতি আৰু তালৈ যাব নেলাগে, যিহে অৱস্থা হৈ আছে! দিনত যাবলৈকো ভয় লাগে···" খুৰীয়ে নকলেও মোৰ মনে এনে এটা অৱস্থাৰেই কল্পনা কৰিছিল। কিন্তু তথাপি এনে এটা ৰূপ দেখিবলৈ পাম বুলি ভবা নাছিলোঁ।

এয়া মই যেন এক পুৰণি সভ্যতাৰ ভগ্নস্তূপৰ মাজত থিয় হৈ আছো! মোৰ চাৰিওফালে এক ভয় লগা নিস্তব্ধতা, এক মৰিশালীৰ বোবা মৌনতা! এক পুৰণি ঐতিহ্য দুখ লগা ভাবে ভাগিছিগি যোৱাৰ ধ্বংস হৈ যোৱাৰ স্বাক্ষৰ বহন কৰি হাবি-জংঘল, কচু, ঢেকীয়াৰ এক অৰণ্যক বাতাবৰণৰ মাজত মই থিয় দিছোঁহি। মোৰ জন্ম ঠাই, মোৰ জন্ম ভেঁটি!! এই অৰণ্যক পৰিবেশৰ মাজত থিয় হৈ বহু কিবা কিবি হেৰোৱাৰ, বহু কিবা কিবি পাই এৰি অহাৰ করুণ সোঁৱৰণৰ বেদনাৰ মাজত মই অনুভব কৰিলো মই এটি বেলেগ প্ৰাণী; শতাব্দী জোৰা ইতিহাস ৰচনা কৰি কৰি খোজ কাঢ়ি আহি থকা মই এটা আদিম ভাগৰুৱা। আহি আহি মই এনে এখন ঠাইত ৰৈ গৈছো য'ত পৃথিৱী নাই, মানুহ নাই,, সমাজ নাই, আছে কিছুমান স্মৃতি।

"খুৰী মই তালৈকে, মানে, মানে আমাৰ ·····। ······তাতেই ৰাতিটো······" ৰাতিৰ নিজৰে কথাষাৰ মনত পৰি হাঁহি উঠিল। খুৰীয়ে যেন ক'লে—"তাতে পৰি থাকিবি! ক'ত? ঘৰ বোলা কিবা এটা থাকিলেহে!! সকলো ভাগিছিগি গৈছে ·····।" এৰা সকলো ভাগিছিগি গৈছে। আজি মোৰ জন্ম ভেটিৰ চাৰিওফালে মৰিশালীৰ করুণ নিস্তব্ধতা।

হাবি-বননিৰ মাজত ঘৰৰ ওখ ওখ ভেঁটি কেইটা এতিয়াও আছে; তাৰ ওপৰত বাঁহ-কাঠৰ অৱশিষ্ট অংশ কিছুমান অৱহেলিত হৈ পৰি আছে। হয়তো এদিন আপদালৰ অভাৱত ঘৰ কেইটা ভাগি পৰিছিল; আজি সকলো নাইকিয়া হৈ গৈছে; সকলো যাব, মাইঁতো গৈছে; ময়ো যাম। আমিও এনেকৈ নীৰৱে গুচি যাম। কোনো চিনচাব নেথাকিব। —ইয়াত এদিন এখন ঘৰ আছিল। এইখন ঘৰতেই আছিল মা, অৰুনিমা আৰু অৰুণ। কিছুমান সৰু সৰু মান অভিমান, হাঁহি-কন্দাৰ মাজেৰে ঘৰখন মুখৰিত হৈ আছিল; কিন্তু আজি! —মাত্ৰ আঠোটা বছৰহে। এখন সৰু সুখী ঘৰৰ অস্তিত্ব কেনেকৈ হেৰাই গল কিয় হেৰাই যাব লগা হ'ল! হায়! মই যে কি দোষ কৰিলো। মোৰ দোষৰ বাবেই জানো সকলো ধ্বংস হৈ গ'ল? তাৰ বাবে জানো ময়েই দায়ী? তেনেহলে কিয় অৰুনিমাৰ অতৃপ্ত করুণ হুমুনিয়াহে মোক উৰুৱাই নিব খুজিছে; মাৰ অন্তৰৰ গোপন আশাবোৰে, চকুলোবোৰে মোক বাউল কৰি তুলিছে। আৰু অৰুণ! মৰমৰ ভাই অৰুণ! সি এতিয়াও জীয়াই আছে! মোৰ বাবে পৃথিৱীখনত কোনো নাই; কিন্তু আছে, আছে এজন আপোন ভাই। কিন্তু আজি সি ক'ত মই নেজানো। মই জানো সিহঁতৰ অন্তৰৰ কামনাবোৰে, অভিলাষবোৰে মোক অভিশাপ দিছে, মোৰ অক্ষমতাক সিহঁতে হাঁহিছে; সিহঁতৰ অশৰীৰি আত্মাই মোক পাগল কৰি তুলিছে!

কিবা এটাই মোক আজি দুৰ্ব্বল কৰি পেলালে। নিজকে এটা অসহায় শিশুৰ নিচিনা লাগিল। এটা শিশুৰ দুৰ্ভাগ্যৰ বেদনাৰে কান্দিবলৈ মন গ'ল। আজি কান্দি কান্দিবলৈ পাহৰি গৈছোঁ; চকুপানী মোৰ নোলায়। বুকুৰ বেদনাবোৰে কন্দাৰ সীমাৰেখা অতি-

ক্ৰম কৰি মোক বোবা কৰি দিছে ! কিন্তু আজি-দেখো মই কান্দিছোঁ ! চকুপানীৰে দুগাল মোৰ তিতি আহিছে ! —জীৱনৰ একোটা দুৰ্ব্বল মুহূৰ্ত্তত কান্দি-বলৈ খুব মন যায়; কিন্তু কোনো দিনে চকুপানী ওলাবলৈ দিয়া নাছিলো। আজি মোৰ চকুৰ আগৰ পৰা পাহাৰ, নদী, গছ-গছনি সকলো বহু দূৰলৈ আতৰি গৈছে !....

...... "সুশান্ত ...... " কোনোবাই মোক মাতিলে; ঘন হাবি-বননিয়ে শব্দটো ক্ষীণ কৰি পেলালে। চাৰিও ফালে চালো ওখ ওখ জংঘলৰ ওপৰেদি ক'লা মূৰ এটা দেখিলোঁ; প্ৰভাত হাবি ঠেলি ঠেলি মোৰ কাষ চাপি আহিছে।

: "কি—তই কান্দিবলৈ আহিছ নেকি— ?" মোৰ চকুলৈ চাই কথাখিনি কৈ প্ৰভাত বৈ গ'ল।

: "নহয় অ', আজি দেখোন অলপ কান্দিবলৈ মন গৈছে !" চকুপানী খিনি মচিবলৈ যত্ন নকৰিলো।

: "কান্দিবলৈ বহুত সময় পাবি ; ব'ল মায়ে চাহ কৰি বৈ আছে ...." প্ৰভাতৰ কথা শুনি মোৰ হাঁহি উঠিল, চাহ ! চাহকাপ নহলেও আমাৰ চলে। গৰম চাহ কাপৰপৰা ওপৰলৈ যোৱা পাতল ধোঁৱা খিনিলৈ চাই চাই আৰামত কাপত চুমুক দিবলৈ আমি শিকা নাই। উৰি যোৱা চাহৰ ধোৱাঁখিনিৰ দৰে আমাৰ অন্তৰৰো আশা-আকাঙ্খাবোৰ ধোৱাঁ হৈ উৰি গৈছে। আশা-আকাঙ্খা হেৰুৱাই লক্ষ্যভ্ৰষ্ট হোৱা আমি একোকাপ চেঁচা পৰা চাহ ! কিন্তু প্ৰভাতে নুবুজে, বুজিলেও হৃদয়ঙ্গম কৰিব নোৱাৰে। সি বাস্তৱবাদী আৰু জীৱনৰ বহুত কিবাকিবি হেৰুৱাই আমি ভাবুক হৈ পৰিছোঁ; আমি বহুত কিবাবোৰ ভাবি ভাবি নগ্ন বাস্তৱটোৰ পৰা ওলাই থাকিবলৈ বিচাৰো।

: "তই কি কৰিবলৈ আহিলি প্ৰভাত ?"

: "তই কি কৰিবলৈ আহিছ ?" —প্ৰভাতে এনে এটা প্ৰশ্ন কৰিব বুলি ভবা নাছিলো।

: "সেয়েতো, কি কৰিবলৈ আহিছো।" যিটো কথা মই নিজেই বুজা নাই, তাক তাৰ কি উত্তৰ দিম !

: "পুৱাই পুৱাই মনে মনে গুচি আহিছ কিয় ? চাহটোপতো একেবাৰে খাই আহিব পাৰিলিহেঁতেন..."

: "চাহ ? জীৱনৰ বহু সময় চাহ-ভাত নোখোৱা-কৈয়ে পাৰ হৈ গৈছে প্ৰভাত। ইয়ালৈ মই কিয় আহিছোঁ নেজানো; কিন্তু চাহ-ভাত যে খাবলৈ অহা নাই সেইতো জানো...." মোৰ কথাই তাক অলপ আঘাট দিলে যেন পালো। সি নীৰৱে ৰ'ল। —"প্ৰভাত, আহিছ যেতিয়া বলচোন, বাৰীখন এপাক চাই আহো ...।" প্ৰভাত মোৰ পিচে পিচে আহিছিল নীৰৱে। নীৰৱতা কি বস্তু বুজি নোপোৱা ল'ৰাজনে হঠাতে নীৰৱ হৈ পৰাত অলপ আচৰিত হলোঁ। কিন্তু তাৰ নীৰৱতা ভাঙিবলৈ যত্ন নকৰিলো।

দুয়ো লাহে লাহে গৈ আছো। মোৰ এনে লাগিছিল আমি দুয়ো যেন দুটি চিকাৰৰ সন্ধানত অচিনাকী প্ৰাণী। কিবা এটি হাহাকাৰত প্ৰাণ কঁপি উঠিল। মানুহৰে পুৰ্ণ এখন গাওঁৰ বুকুতে এনে এখন হাবিৰ সৃষ্টি কিয় হব লগা হ'ল— ! নানা ধৰণৰ লতাই গছ-গছনি মেৰিয়াই ধৰিছে। অৱহেলাত পৰি থকা পুৰণি ওখ তামোল ৰেইজোপা এচাটি জান নেজান বতাহত বৈ বৈ কঁপিছে। এক অক্ষমনীয় অপৰাধৰ অপৰাধেৰে মই অপৰাধী ...। অকল মোৰ বাৰীখনতে হাবি-জঙ্গল গজা নাই, গজিছে মোৰ অন্তৰতো ! মোৰ অন্তৰৰ সেই হাবি-জঙ্গলবোৰ ইয়াতকৈ বেছি ভয় লগা, বেচি জয়াল।

আমাৰ মুখত কথা নাছিল, কথা কবলৈও ভাষা নাছিল। কথা মযে কওঁ, প্ৰভাতে নকয়; কিন্তু কথা কবলৈ মই ইয়ালৈ অহা নাই। স্মৃতিয়ে মানুহক অস্তিত্বহীন কৰে কণ্ঠৰুদ্ধ কৰে। স্মৃতিয়ে আমাক হহুৱাই আমাক কন্দুৱাই। তথাপি 'স্মৃতি' স্মৃতিয়েই

: "প্ৰভাত, —এই, এই......এইজোপা কৰ্দ্দৈ " ........কৰ্দ্দৈজোপা দেখোন মই কাটি পেলাইছিলো...."

: "কাটিছিলি ; কিন্তু গুৰিৰ পৰা গজালি মেলি গছ হৈছে। কৰ্দ্দৈজোপালৈ নোচোৱাকৈয়ে নিৰুদ্বিগ্ন ভাবে প্ৰভাতে কলে—। এজোপা কৰ্দ্দৈ, সাধাৰণ

এজোপা গছ । কিন্তু, কিন্তু ইয়াৰ অন্তৰালত যে এটি কৰুণ, ভয় লগা কাহিনী লুকাই আছে । নীৰৱ হৈ থাকিও যে গছজোপাই সেই কাহিনী চিঞৰি চিঞৰি কৈ আছে, কৈ থাকিব ।

এক তিয়াৰ আমঠু ক'লা কৰা কাহিনীৰ আঁৰত এক মানসিক দণ্ডৰ তাড়ণাত প্ৰকাণ্ড কৰ্দ্দে গছজোপা মই কাটি পেলাইছিলোঁ ; কিন্তু কিয় আকৌ গজালি মেলি গছ হল ? প্ৰভাতৰ চকুলৈ চালো—প্ৰভাত তলমূৰ কৰি থিয় হৈ ৰ'ল । এখন গাওঁৰ সুন্দৰ ৰাতিপুৱাত অৰুনিমাৰ বিবৰ্ণ মৃত দেহটো এইজোপা গছতে ওলমি আছিল ··· !! অৰুনিমা মৰমৰ ভনী মোৰ । এই পঙ্কিল পৃথিবীখনৰ ওপৰত, মোৰ ওপৰত অভিমান কৰি পঙ্কিলতাৰ গ্লানি কঢ়িয়াই লৈ আঁতৰি গ'ল । অৰুনিমাই ডিঙিত চিপজৰী ললে ! ইয়াৰ বাবে দায়ী আছিল কোন ? অৰুনিমা নিজে মই, নে সমাজখন, যে নাম নজনা কোনোবা ?

—বি, এ,টো পাচ কৰি পঢ়াৰ আৰু ইচ্ছা আছিল ; কিন্তু পঢ়া নহল । গাওঁখনৰ প্ৰথম "গ্ৰেজুৱেট" হিচাবে বহুত মৰম আৰু বহুত সন্মান পাইছিলো মই । কিন্তু মই বুজিছিলো মানুহবোৰে অকল মোৰ ডিগ্ৰীটোকহে মূল্য দিছিল, মই মানুহটোক নহয় । চাকৰি এটাৰ ব্যৱস্থা কৰো বুলি গুৱাহাটীত আছিলোঁ । এদিন অকস্মাতে মাৰ পৰা এখন চিঠি পালো······ "তই আজিয়েই এবাৰ ঘৰলৈ আহি যা ।" চিঠিখনৰ পৰা একো অৰ্থ উলিয়াব নোৱাৰি ঘৰমুৱা হলো । গাওঁৰ বুকুত ভৰি দি এক অজান আশঙ্কাত মনটো কঁপি উঠিল । গাওঁখনৰ পৰিবেশটো যেন কোনো দিনে ইমান বিমৰ্ষ, ইমান উদাস লগা নাছিল । ঘৰ পাই মাৰ মৌন হৈ পৰা চিন্তাগ্ৰস্ত মুখখনি দেখি আকৌ এবাৰ মোৰ অন্তৰখন কঁপি উঠিল ।

: "মা······"

: "অ তই আহিলি" মায়ে মূৰ তুলি চাই পুনৰ তলমূৰ কৰিলে । যি মায়ে মই আহিম বুলি পদূলি মুখত বৈ থাকে সেই মায়ে মোৰ আগমণত ইমান উদাসীন ! মনে মনে ক্ষুণ্ণ হলো, অভিমান কৰিবলৈ ইচ্ছা হল । কিন্তু ঘৰখনৰ আচহুৱা পৰিবেশটো দেখি অভিমানৰ প্ৰশ্ন নুঠিল । কৰবাত কিবা এটি ঘটিছে, কিন্তু কি—?

: "অৰুণইঁত কলৈ গল মা ?"

: "জানো কলৈ গল !"

: "অৰুণিমা ?" অৰুণিমাৰ কথা শুধিও মাৰ পৰা কোনো উত্তৰ নেপালো । মা নীৰৱে থিয় হ'ল ।

: "কাপোৰ কানি খুলি থ বাপু ।" মাৰ কথা শুনিবলৈ মই আৰু তাত বৈ থকা নাছিলোঁ ।

তেনে এটা কথা কেতিয়াবা শুনিব লগা হব বুলি মই কোনো দিনে ভাবিব পৰা নাছিলোঁ । মায়ে কোৱা কথাবোৰ মোৰ মাৰ যেন লগা নাছিল ; কোনোবাই যেন পাহাৰখনৰ সিপাৰৰ পৰা মোক কৈছিল, সেইজনী যেন মোৰ মা নাছিল ! ইমান নিষ্ঠুৰ কথা এটি কবলৈকে যে মায়ে মোক মাতি পঠিয়াইছিল মইতো ভাবিব পৰা নাছিলোঁ । —"অৰুণিমা মাক হবলৈ ওলাইছে··· ।" সিৰিকিৰে চাই থকা জন্মৰে পৰা আপোন হৈ অহা পাহাৰখন অকস্মাতে এটা প্ৰকাণ্ড দৈত্যলৈ ৰূপান্তৰিত হোৱা যেন লাগিল, ওচৰেৰে বৈ থকা নদীখনৰ প্ৰবল স্ৰোত বৈ যোৱা যেন লাগিল, চাৰিওফালৰ পৃথিবীখন ঘূৰা যেন লাগিলেও মোৰহে মূৰটো ঘূৰিছিল । 'অৰুণিমা অন্তঃ সত্বা' ইয়াতকৈ মোৰ বাবে দুঃসম্বাদ কি আছে । তাই, তাই মোৰ মৰমক, ঘৰখনৰ বুকু ওপচা মৰমক, বিশ্বাস প্ৰতাড়না কৰিছে ! এক দুৰ্ব্বাৰ খং আৰু ঘৃণাত সৰ্ব্বশৰীৰ মোৰ কপি উঠিল । বুকুখনৰ অন্তাৰিক ধপ ধপনিটো মই কাণেৰে শুনা যেন পালো । ঘৰৰ চুক এটাত সুমাই থকা অৰুণিমাক চুলিত ধৰি বাহিৰ উলিয়াই আনিছিলো । মোৰ প্ৰহাৰত তাই মজিয়াত বাগৰি পৰিছিল । ··· ·· মই পশু হৈ পৰিছিলো ।

বহুবাৰ সোধাতো তাই সেইজন মানুহৰ নাম নকলে ; তাইৰ নীৰৱ মৌনতা দেখি মই ক্ষান্ত হব পৰা নাছিলোঁ । বাৰে বাৰে তাইক প্ৰহাৰ কৰিছিলো ; সকলোবোৰ তাই নীৰৱে সহি গৈছিল । কিন্তু ভাবিলে

এতিয়া মই আচৰিত হওঁ, মোৰ সেই মৰমৰ ভনীজনীৰ ওপৰত কেনেকৈ মই ইমান অত্যাচাৰ কৰিব পাৰিছিলো ! … …আউলী বাউলী চুলিৰে তাই কেৱল মোৰ মুখলৈ চাইছিল। তাইৰ তেনে ৰূপ মই কোনো দিনে দেখা নাছিলো, মোৰ চিৰবাধ্য অৰুণিমা ভনীয়ে কেতিয়াবা সেই ৰূপত মোৰ মুখলৈ মুখ তুলি চাব পাৰে বুলি মই ভাবিব পৰা নাছিলো।

: "ভুল মানুহে কৰে ককাইদেউ.... .... ! ভুলৰ প্ৰায়শ্চিত্তও আছে ।"

: এ-ৰা ভুল মানুহেই কৰে ; কিন্তু সকলো ভুলৰে প্ৰায়শ্চিত্ত নাই পাপীনী .. ...."মোৰ কঠিন হৈ থকা হাতৰ মাংসপেশীবোৰ পুনৰ তাইৰ দেহটোৰ ওপৰত প্ৰয়োগ কৰি কোমল কৰিছিলো !

: "প্ৰায়চিত্ত আছে । মই প্ৰায়শ্চিত্ত কৰিম — । মই ভুল কৰিছো, তহঁতৰ মৰম চেনেহক প্ৰতাড়ণা কৰিছো, বিশ্বাস ঘাটকতা কৰিছো ! —এৰা মই পাপীনী, মই কলঙ্কিনী.... .... ! সমাজখনে মোক কোনো দিনে ক্ষমা নকৰে, কোনো দিনে গ্ৰহণ নকৰে ; তয়ো নকৰ। তয়ো এইখন সমাজৰে এজন । তহঁতে, তহঁতৰ সমাজখনে ভুলৰ পথ ৰচনা কৰিব পাৰে ; ভুল পথেৰে আগবাঢ়ি যাবলৈ মানুহক 'প্ৰেৰণা' দিব পাৰে আৰু, আৰু মানুহক সদায় দোষীৰ ৰূপত চাবলৈ কামনা কৰে, কিন্তু দোষীক কোনো দিনে গ্ৰহণ কৰিব নোৱাৰে .. ... । তহঁতক মই দুখ দিছো, তোৰ মান সন্মান শেষ কৰিছো, মোক তহঁতে ক্ষমা কৰি দিবি । কোনো দিনে তহঁতক মই আমনি নকৰো, কোনো দিনে ঘৰখনৰ আৰু কলঙ্ক নানো । মোৰ পথ মই নিজে বিচাৰি লম .. ... ..." অৰুণিমাই তাইৰ ডুচকুৰে বৈ থকা চকুলো বোৰে সেইদিনা মোক বিচলিত কৰিব পৰা নাছিল। কিবা এটা পাশৱিক অনুভূতিয়ে মোক উতলা কৰি ৰাখিছিল । মই কৈছিলোঁ, "ঘিবিলাক মানুহ এখন পৰিয়ালৰ, এখন সমাজৰ দুখৰ কাৰণ, অশান্তিৰ কাৰণ হৈ পৰে সেই বিলাক মানুহ জীয়াই থকা উচিত নহয়.... .... .... ।" মোৰ কিবা এটা হৈছিল। তেতিয়া মোৰ মগজুত খেলোৱা নাছিল যে অকল অৰুনিমাইহে এনে ভুল নকৰে বহুতে । —"নহয় অ' প্ৰভাত, যেতিয়া মৰমৰ মানুহজনে, বিশ্বাসৰ মানুহজনে বেয়াকৈ ভুল কৰে, প্ৰতাড়না কৰে তেতিয়াও আমাৰ ধৈৰ্য্যচ্যুতি ঘটে !"

সেইদিনা ৰাতিয়েই অৰুনিমাই চিপজৰী লগাই আত্মহত্যা কৰিছিল । তাইৰ কৰুণ বিবৰ্ণ দেহটো এই জোপা গছতে ওলমি আছিল ।

: "বাৰু ৰেণুনাৰ বৰ্ত্তমান খবৰ কি প্ৰভাত ?" মোৰ প্ৰশ্ন শুনি প্ৰভাত উচপ খাই উঠিল "ৰেণুনা ?" অবাক দৃষ্টিৰে সি মোৰ মুখলৈ চালে ।

: বিয়াৰ খবৰটো পাবই, বৰ্ত্তমানলৈকে সুখেৰে আছে। অ' ল'ৰা এটা হৈছে । ডাঙৰো হৈছে । প্ৰভাতে মোৰ মুখলৈ চালে ।

: "আৰু দিগন্ত ?"

: এতিয়া ঘৰ সংসাৰ চলাইছে, বাপেকৰ অবিহনে দিগন্তই হৰ্ত্তাকৰ্ত্তা" পাহাৰীয়া নৈ খনলৈ চাই চাই প্ৰভাতে কলে ।

—এৰা, অৱসৰ প্ৰাপ্ত 'হেডমাষ্টৰ'--ঘনকান্ত কলিতাৰ পৰিয়ালত হৰ্ত্তাকৰ্ত্তা তোৱা মানে অগাধ সম্পত্তিৰ মালিক, সমাজৰ ভব্য-গব্য গুৱিয়াল, সমাজৰ 'বৰলোক' !

—মৃত্যুৰ ভয়াবহতাই গ্ৰাস কৰা ঘৰখনৰ নিমাও মাও পৰিবেশত অৰুনিমাৰ কোঠাত বহি বহি তাইৰে স্মৃতিৰ সোৱৰণত জৰ্জৰিত হোৱা হিয়াখনক শাঁত কৰিবলৈ বিচাৰিছিলোঁ। তাই তেনেকৈ মৰিব পাৰে বুলি ভুলতো ভাবিব পৰা নাছিলোঁ। বৰ একা-চেকা ছোৱালী অৰুনিমাজনী ! তাইৰ মৃত্যুৱে মোক নিজকে দোষী কৰিলে, মোক অনুতপ্ত কৰিলে । তাইৰ কোঠাত বহি কিবা এটি আবেগত তাইৰ কাপোৰ কানি কিতাপ পত্ৰবোৰ লাৰি-চাৰি চাইছিলো ! কিবা এটি চিনাকী পৰশ, কিবা এটি অস্তিত্ব যেন বিচাৰি ফুৰিছিলোঁ ! কিন্তু তেনে এটা বস্তু কিতাপৰ মাজত পাম বুলি ভবা নাছিলো ; এখন চিঠি !

"অৰুণিমা,

ইমান সাহস তুমি কৰ পৰা পালা

মই ভাবি পোৱা নাই ! তোমাকতো মই বিয়া কৰাম বুলি কোনো দিনে কোৱা নাছিলোঁ ! দিগন্তৰ এটা সন্মান আছে, অভিজাত্য আছে । গতিকে দিগন্তক স্বামী হিচাবে পাবলৈ হলে তুমিও দিগন্তৰ দৰে হব লাগিব । এজনী ছোৱালীৰ ককায়েক বি-এ পাচ হলেই ভনীয়েক জনীও ওপৰলৈ উঠি নেযায় !

তুমি মাক হবলৈ ওলোৱাটো একো ডাঙৰ কথা হোৱা নাই । এই বয়সত সকলো ছোৱালীৰে এনে হয় । গতিকে চিন্তা কৰিবলৈ একো নাই । মনে মনে থাকা, সকলো ব্যৱস্থা মই কৰি দিম, মাত্ৰ তুমি সন্মত হলেই হ'ল । মনত ৰাখিবা তোমাক বিয়া কৰোৱাত মোৰ বহু বাধা ... ... !" চিঠিখন পঢ়ি উঠি মই চমকি উঠিলোঁ ; তেনেহলে দিগন্তয়ে ··· ··· ! এটা চৰম প্ৰতিশোধৰ তাড়নাত মই চঞ্চল হৈ উঠিলো ; শৰীৰৰ মাংসপেশীবোৰ কঠিন হৈ আহিল । কিন্তু ·· দিগন্তযে ৰেণুমাৰ ককায়েক ! হওঁক, মোৰ সম্পৰ্ক ৰেণুমাৰ লগতহে ; দিগন্ত—'দিগন্ত'ই, তাৰ লগত মোৰ সম্পৰ্ক নাই, সি দোষী, অপৰাধী.... .... ! তথাপি আৰু এটি 'কিন্তু' ৰৈ গ'ল ।

কিয় জানো মই দিগন্তৰ মুখা-মুখি হ'লো ।

: "দিগন্ত, অৰুণিমাৰ জীৱনটো ধংস কৰি দিবলৈ তোৰ কি অধিকাৰ আছিল ?"

: "সু-শান্ত, ফাঁকি দি লাভ নাই ; কিন্তু মইতো অৰুণিমাক মৰিবলৈ কোৱা নাছিলো, মইতো তাইক "

: "মৰিবলৈ কোৱা নাছিলি কাপুৰুষ ?.... ...."

: "সু-শা-ন্ত ! ভালদৰে কথা কবি ; এইখন কাৰ ঘৰ তই জান"

: জানো, জানো এইখন··· ··· !

খঙত বিবেকে কাম নকৰা হৈ মই তাক আৰু কি কৈছিলো মনত পেলাব মোৱাৰো । কিন্তু তাৰ লগত কথা পাতি থকাৰ মাজতে অনুভৱ কৰিছিলো যে মই ইয়ালৈ মিছাকৈয়ে বকিবলৈ আহিছোঁ । আৰু তেতিয়াই তাৰ পৰা গুচি আহিছিলো । অৰুণিমাৰ মৰমৰ মুখখনে, আৰু গছত ওলমি থকা দৃশ্যটোৱে মোৰ লগ এৰা নাছিল । কিবা এটি ভয়ত, কিবা আশঙ্কাত শিয়ৰি উঠিছিলো । বাৰে বাৰে অৰুণিমাৰ মৃতদেহটো মোৰ চকুৰ আগলৈ ভাঁহি আহিছিল । তাই কান্দিছিল, ঘৰৰ চুকে-কোণে কিবাবোৰ কৈ চিয়ঁৰি ফুৰিছিল... ! "বহুত জনা প্ৰভাত ! বহুত দুখ, বহুত বেদনা বুকুত লৈ ফুৰিও কেনেকৈযে আমি জীয়াই থাকো !"

গুৱাহাটীলৈকে যাম বুলি ঠিক কৰিলোঁ ; কিন্তু যোৱা নহল । মনৰ সুখ শান্তিকন তিলতিলকৈ হেৰুৱাই গাঁৱতে থাকি যাব লগাত পৰিলোঁ । অৰু-ণিমাৰ মৃত্যুৰ পিচত মাৰ জীৱনলৈ নামি অহা কাৰুণ্যত মই বিবৰ্ণ হৈ পৰিলোঁ । মাজনী কিবা হৈ গ'ল ; কথা নেপাতে, কিবাকিবি ভাবি থাকে আৰু কেইবা-সাজো নেখায়ো জীয়াই থাকিব পৰা হ'ল । ঘৰখনৰ এনেকুৱা পৰিবেশৰ মাজত কেনেকৈ জীয়াই থাকিব পাৰি ? মাৰ মৌনতাই মোৰ মনত বেচিকৈ অপৰাধ-বোধ সৃষ্টি কৰিলে । ঘৰখনত তিনিটা প্ৰাণী মা, অৰুণ আৰু মই । অথচ আজি তিনিওটা মানুহে তিনিটা নিজ নিজ কক্ষ পথেৰে চলিবলৈ ধৰিলোঁ । কাৰো লগত যেন কাৰো সম্পৰ্ক নাই ! মা আৰু মোৰ পৰা অৰুণো সঁহাৰি নেপাই, আদৰ নেপাই অৰুণো আমাৰ পৰা আতৰ হৈ গ'ল । কেতিয়াবা স্কুললৈ যায় ; নহলে নেযায় । সি কি কৰিছে, নকৰিছে কোনেও খবৰ নকৰে । মায়ে মাতিলেও কথা কবলৈ ইচ্ছা নকৰে ; মনমাৰি থকা হ'ল । মাৰ এনেকুৱা পৰিবৰ্ত্তনৰ কাৰণ বুজি নেপালোঁ । ময়ো আপোন মনে বহি বহি নানা ধৰণৰ চিন্তা ভাৱনা কৰিবলৈ ধৰিলোঁ, মোৰ চকুৰ আগত নাচি থকা ধুনীয়া উজ্জল ভৱিষ্যতটো ক্ৰমে এন্ধাৰ হৈ পৰা দেখিবলৈ পালোঁ । অসহ্য ! ঘৰখনত আৰু থাকিব নোৱাৰি ! কিন্তু ঘৰ এৰিবলৈ ভয় লাগিল মাৰ জানোবা কিবা এটা হয় । অৰুণিমাৰ কৰুণ মৃত্যুৰ বাহিৰেও মাৰ জীৱনত আন কিবা দুখ থকা যেন লাগিল । কিন্তু কি ? পলমকৈ মই গম পালো আমি অকল অৰুণিমাকেই হেৰুৱা নাই, আৰু ব ত কিবাকিবি হেৰুৱাইছোঁ ।

মিৰ্জাত তেতিয়া কলেজ হোৱা নাছিল ; গুৱা-হাটীত থাকি বি-এ, পঢ়িছিলোঁ। ঘৰৰ পৰা মাহে মোলৈ টকা আহে ; মায়ে পঠিয়াই। পিতা ঢুকাবৰ তেতিয়া বেছি দিন হোৱা নাছিল ; পিতাৰ অবিহনে ঘৰখনৰ দায়িত্ব মায়েই লৈছিল। গাঁওৰ ঘৰৰ পৰা টকা যায়, নগৰৰ কলেজত পঢ়ো। টকা পইচাৰ বাহিৰে ঘৰখনৰ লগত তেতিয়া মোৰ বিশেষ সম্পৰ্ক নাছিল। কোনো দিনে ভবা নাছিলোঁ মোলৈ টকা পঠিয়াওতে মাৰ কিবা অসুবিধা হৈছে নেকি, বা কেনেকৈ মায়ে টকা পঠিয়াইছে। আমাৰ ঘৰখনৰ এটা ঐতিহ্য আছিল, গাওঁখনত পিতাৰ এটা নাম আছিল। কোনো বস্তুৰে অভাব ঘৰখনত অনুভৱ কৰা নাছিলোঁ। পিতাৰ মৃত্যুয়ে ঘৰখনৰ আঁতিল ভেঁটিটো লৰাই দিলে তাক অনুমান কৰিব পৰা নাছিলোঁ। পঢ়া লৰা পঢ়িছিলো, কিন্তু পিতাৰ অভাৱত পৈত্ৰিক সম্পত্তিখিনি চলোৱাৰ ভাৰ যে মোৰ ওপৰত সেই কথা স্বীকাৰ কৰা নাছিলো। ভাবিছিলো মায়ে চলাব আৰু! ... ...লাহে লাহে ঘৰখনৰ অৰ্থ নৈতিক ভেঁটিটোত যে আঘাত পৰিছে বুজিছিলো ; তথাপি আনৰ আগত মোৰ ঘৰখনৰ অৱস্থাৰ অৱনতিটো দেখুৱাব খোজা নাছিলো। মই জনা নাছিলো যে মোৰ অজ্ঞাতেই মই বহু বস্তু হেৰুৱাই পেলাইছো। এই বিষয়ে মায়ে মোক একো জানিবলৈ দিয়া নাছিল। মোৰ অভাৱ অনুভৱ কৰিবলৈ দিয়া নাছিল। টকাৰ বিনিময়ত সম্পত্তি আনৰ হাতত তুলি দি মায়ে মোক পঢ়ুৱাইছিল। মোৰ পৰা মায়ে বহু আশা কৰিছিল··· ··· ··· ···। অৰুণিমাৰ মৃত্যুৰ পিচত ঘৰখনৰ আচহুৱা পৰিবেশটোৰ উপৰিও জীৱনত মই প্ৰথম বাৰৰ বাবে অনুভৱ কৰিলো দৰিদ্ৰতা! দৰিদ্ৰতাই ঘৰখন তলে তলে গ্ৰাস কৰি আহিছে ; মা নীৰৱ, বোবা হৈ গৈছে। তেতিয়া মোৰ হাঁহাকাৰ কৰাৰ বাহিৰে আন উপায় নাছিল। পঢ়া শুনা কৰি হালখন হেৰুৱাই পেলাইছোঁ, মই অকামিলা হৈ পৰিছো। এটা অলস কৰ্ম্মহীন জীৱন যাত্ৰাই মোক পঙ্গু কৰি পেলাইছিল। আন হাতে চাকৰি এটাৰ খুব প্ৰয়োজন হলেও চাকৰি এটি নেপালো, আনকি চাকৰি এটাৰ সন্ধান কৰিবলৈকো মোৰ যেন অৱসৰ নাছিল। প্ৰথম বাৰৰ বাবে এক মানসিক সংঘাটত ভুগিব লগীয়া হোৱাত নিজকে মোক এটা বেলেগ মানুহ যেন লাগিছিল। ঘৰখনত তিনিটা প্ৰাণী, জীৱিকাৰ উপায় একো নাই। বেচেৰা অৰুণ-টোৱে কষ্ট পাইছিল বেচি! তেতিয়া সি ৬ষ্ঠ মান শ্ৰেণীৰ ছাত্ৰ।.

... ..."অই কলৈ যাব ?" হাতত কিতাপ পত্ৰ লৈ পঢ়াশালিলৈ ওলোৱা অৰুণৰ ভৰি দুখন বৈ গৈছিল। কিবা এটা ডাঙৰ কথা চিন্তা কৰাৰ দৰে সি তন্ময় কৰি থিয় দিছিল। "স্কুললৈ যাবলৈ তোক মানা কৰা নাছিলোঁ···" ···"কোনো দৰ্কাৰ নাই পঢ়া শুনা কৰাৰ ; পঢ়ি শুনি ডাঙৰ মানুহ হব নোৱাৰ! যি পঢ়িছ সেয়াই আঁতিছে! পঢ়া শুনা নকৰিলে অন্ততঃ হাল কোৰ মাৰিয়েই এমুঠি খাব পাৰিবি। এটা শিল পৰা কপৌৰ দৰে অৰুণ থিয় হৈ আছিল। এটি পবিত্ৰ শিশুক হত্যা কৰা অনুশোচনাত অন্তৰখনে মোৰ কান্দি উঠিছিল। মোৰ ভাব হৈছিল অৰুণৰ কিতাপ পত্ৰত হঠাতে যেন দাউ দাউ জুই জলি উঠিছে আৰু সেই জুইত অৰুণ হেৰাই গৈছে! বহু দুখৰ কাহিনী এইবোৰ। পৰীক্ষাৰ বাবে লগা আঠৈ টকাৰ বাবে সি মোক ধৰিছিল। মাৰ পৰা কোনো সহাঁৰি নেপাই টকা মোক খুজিছিল ; নো-ক! মাত্ৰ আঠৈটা টকা! হায়! মোৰ ভাই অৰুণে সামান্য আঠৈটা টকাৰ অভাৱত পৰীক্ষা দিব নোৱাৰে! মই পঢ়োতেতো আঠৈ টকা নহয় ২০/৩০ টকাৰ বাবেও কোনো চিন্তা কৰিব লগা গিছিল! .... ....আজি নহয় তেতিয়াই মই বিবেকৰ দংশনত ভুগিছিলোঁ, তেতিয়াই মোৰ বিবেকে এটি নিষ্কলুষ শিশুৰ জীৱন ধংশ কৰাৰ মানসিক সংঘাটত ভুগিছিলোঁ। অৰুণৰ জীৱনটো বোধহয় মোৰ বাবেই ধংস হ'ল। সেয়ে অৰুণৰ অন্তৰৰ অতৃপ্ত হুমুনিয়াবোৰে মোক কোনো দিনে শান্তি নিদিব।

বহুত বেদনা, এটুপি চকুলো ; সেয়ে জীৱন।

জীৱনৰ আন এটি নাম মমতা। এই মমতাৰ বাবেই আমি জীয়াই থাকো, থাকিবলৈ বিচাৰো। অথচ জীয়াই থাকিবলৈ আমাৰ কোনো সম্বলেই নাই! জীৱনত দেখা ৰঙীণ সপোনবোৰ কেতিয়াৰ পৰা কেনেকৈ যে পাহৰি যাবলৈ ধৰিলো মনত নাই। মনত আছে আনৰ দৰে মোৰো কিছুমান সপোন আছিল, সেই বোৰ মোৰ নিজা। কিন্তু আজি আৰু জীৱনত সপোন দেখাৰ অবকাশ নাই। সপোন যেন অতীত হৈ গল। মৃত্যুৰ ক্ষণ গণি থকা মই যেন এজন বুঢ়া মানুহ হৈ গলো! —মই কি কৰা উচিত, কি কৰিলে ভাল হব ঘৰথনত বহি বহি ভাবি উলিয়াব পৰা নাছিলোঁ। তেতিয়া মই নিজৰ ওপৰতে বিশ্বাস হেৰুৱাই পেলাই-ছিলোঁ। এক মানসিক দ্বন্দ্বৰ খেলি মেলিৰ মাজত কেতিয়াবা ৰেণুমাৰ মুখখনে অকনমান শান্তি দিছিল; তাইৰ অতীতৰ স্মৃতিৰ মধুৰ সোঁৱৰণতে বহু সময় অতীত হৈ গৈছিল। এটা হৈ যোৱা দুটা প্ৰানৰ করুণ বিচ্ছেদৰ তীব্ৰ আঘাটত মই যেন অশান্ত হৈ পৰিছিলোঁ। তথাপি ৰেণুমাৰ কাহিনী পাহৰি থাকিবলৈ যত্ন কৰিছিলোঁ। অলপ দিনৰ ভিতৰতে মোৰ জীৱনত বহু আপোন মানুহ হেৰুৱাৰ কাহিনী আৰম্ভ হৈছিল। এবাৰ মায়ে পুনৰ একে কাহিনীৰে সৃষ্টি কৰিলে। মা বেমাৰত পৰিল। বিচনাত নীৰৱে পৰি থকা মাৰ দুৰ্ব্বল দেহটোলৈ চাই চাই মই চকুপানী টুকিছিলো। তিল্ তিলকৈ নিঃশেষ হৈ যাব ধৰা মাৰ চিকিৎসাৰ, অলপ ঔষধৰ ব্যৱস্থা কৰিব নোৱাৰি মই হাঁহাকাৰ কৰি উঠিছিলো। এনেকৈ এটাৰ পিছত আন এটা সংবাটে মোৰ মনৰ মানুহজনক দুখ লগাকৈ মাৰি পেলাইছিল। কাৰোবাৰ পৰা অলপ সহায়, অলপ সহানুভুতি বিছাৰিছিলো; বহু আপোন মানুহৰ কথা মনত পৰিছিল কিন্তু কাকো লগ ধৰি এযাৰ কোৱাৰ প্ৰয়োজন উপলব্ধি কৰিব নোৱাৰিলো। মনত পৰিছিল যেচিকৈ ৰেণুমালৈ। কোনো নাহিলেও আজি ৰেণুমা অন্ততঃ মোৰ ওচৰলৈ এবাৰ অহিলেহেঁতেন ··· ····। কিন্তু তাৰো মই পথ বন্ধ কৰি দিছোঁ। মাক বচাব নোৱাৰিলোঁ; নহয় বচাবৰ বাবে অলপো যত্ন কৰিব নোৱাৰিলোঁ! এইখন পৃথিৱীত মোৰ বাবে জীয়াই থকা মাইও মোক এৰি গুচি গ'ল। মই কিবা হৈ গলোঁ। ঘৰ সংসাৰ, টকা পইছা, চাকৰি এইবোৰ কোনো মূল্য নোহোৱা যেন লাগিল। নিজৰ জীৱন-টোৰ ওপৰত, নিজৰ শিক্ষাৰ ওপৰত ধিক্কাৰ জন্মিল। এইখন দুখৰ পৃথিবী এৰি কোনোবা এখন শান্তিময় পৃথিবীলৈ যাবলৈ খুব ইচ্ছা হ'ল। নিজৰ ভাগ্য বিপৰ্য্যয়ৰ বাবে দোষী কৰিবলৈ কোনো নাছিল। বাৰে বাৰে মোৰ মনলৈ আহিল মই নিজে দোষী, নিজে—। মাৰ মৃত্যুৱে মোক বহু শোক দিলে, দিলে বহুত বেদনা! এৰা, মা মৰিবই, মৰাটোই স্বাভাৱিক। ইমান দুখ, ইমান বেদনা লৈ মা কিমান দিন জীয়াই থাকিব? চিন্তা হল অৰুণৰ বাবে। তাৰ ভবিষ্যতৰ বাবে কিবা এটা দিহা কৰিব লাগিব; সেই বাবেই তাক নি মোমাইদেউৰ লগত থৈ আহিলোঁ; তেওঁ তাক চাব। তাৰ পিচত মই অজানাৰ পথত ভৰি দিলো। পিচত পৰি ৰ'ল মৰমৰ জন্মভূমি গাওঁখনি; অভিশপ্ত গাওঁখন, আৰু বহুত বেদনা, বহুত চকুপানী"

: "প্ৰভাত অৰুণ এতিয়াও জেলত থকা বুলিয়েই ভাৱ নেকি?···· জেলত! মোৰ ভাই গুণ্ডা হ'ল; ডকাইত হল ···· ··· ! ···· ·· নহয়, একো আচৰিত কথা নহয়, ডকাইত হৈ যোৱাটোৱেই স্বাভাৱিক···"

: "সুশান্ত, দেখিছোঁ তই পাগল হবি···· ···· !"

: "পাগল ? পাগল হৈ যোৱা হলেই খুব ভাল আছিল প্ৰভাত! পাগলে চাগে সকলো দুখ বেদনা পাহৰি থাকিব পাৰে!"

: বাৰু পিচতো পাগল হৈ জুতিটো চাবি, এতিয়া ইয়াৰ পৰা বাল··· ··· ।"

: "যাম। ইয়াত থাকিবলৈ মই অহা নাই; আহিলেও ইয়াত মই থাকিব নোৱাৰো! কিন্তু প্ৰভাত, কিয় এখন সুখৰ সংসাৰ এনেদৰে ধংশ হৈ যায়? কাৰ অভিশাপত ? মোৰ জীৱনত ইমানবোৰ দুখ আছে বুলিতো মই জনা নাছিলো! —তই জান

মইয়েই গাওঁখনৰ প্ৰথম 'গ্ৰেজুৱেট' আছিলো ! সেই-দিনা দেখোন সকলোৱে মোক আশীৰ্ব্বাদ দিছিল ! তেন্তে আশীৰ্ব্বাদৰ মূল্য নাই ? আৰু অভিশাপ ? নে আমি নিজৰ দোষেৰেই অভিশাপৰ ৰচনা কৰো ?...''

দেখিলো প্ৰভাত অস্থিৰ হৈ পৰিছে। মোৰ লগত তাৰ বহু সময় নষ্ট হ'ল। সি কামৰ মানুহ, কামৰ মূল্য বুজে। মেট্ৰিকুলেট হৈয়ো সি পথাৰত বোকা পানী খচকি হাল বাই "। তাৰ হয়তো ধৈৰ্য্যৰ অভাব হৈ আহিছিল। হাত এখনত টানি ধৰি শিল-টোত বহি থকাৰ পৰা মোক সি উঠাই দিলে। অহা বাটেৰেই পুনৰ খোজ ললো লাহে লাহে। পিচত বৈ গ'ল নদীখন; বৈয়ে থাকিল তাৰ অবিশ্ৰান্ত জলধাৰা। হয়তো জীৱনত আৰু কোনো দিনে এইখন জন্মগাওঁলৈ আৰু অহা নহয়। জীৱনৰ অচিনাকী পথৰ লগত চিনাকী হৈ হৈ গৈ থাকোতে বাটৰ অন্ত পৰিব। পৃথিবীৰ পৰা মোৰ পৰিচয় হেৰাই যাব; হয়তো সেঁমেকা বতাহ জাকে বহু দিনলৈ কঢ়িয়াই লৈ ফুৰিব কিছুমান দহি যোৱা হিয়াৰ করুণ হুমুনিয়াহ।

: "এই সব বাদ দে; গাওঁৰ হাইস্কুলখনতে পাৰ যদি সোমাই ল। বনে বনে আৰু ঘুৰি ফুৰিব নেলাগে—'' গহীনভাবে কোৱা প্ৰভাতৰ কথা শুনি মোৰ হাঁহি উঠিব খুজিছিল, নেহাঁহিলো। মই জানো বেচিকৈ হাঁহিলেও ইহঁতে মোক পাগল বুলি ভাবিব! বাৰীৰ পৰা ওলাই ৰাস্তাৰে বহুখিনি আহিলো। পিছলৈ এবাৰ ঘুৰি চালো, বাৰীখন দেখা নেপালো; মাত্ৰ শ শ তামোল গছ আৰু আম কঠালৰ আগ কেইটি বিচাৰি পালো। ক্ৰমে আঁতৰি যোৱা পাহাৰখনৰ চিনাকি গাম্ভীৰ্যতা আৰু পাহাৰৰ শুৰিৰ পৰা ছবি ছবি যেন লাগি অহা বিস্তৃত আহিনৰ পথাৰৰ স্নিগ্ধ শ্যামলীমা। এই পাহাৰ, এই পথাৰ, নীৰব, উদাস। কিন্তু ইয়াৰ বুকুত অলেখ স্মৃতিৰ লুকাভাকু। হেকৰা দিনৰ বহু স্মৃতি বুকুত কঢ়িয়াই লৈ ই আজি গহীন গম্ভীৰ।

পাহাৰখনলৈ কব নোৱাৰাকৈয়ে চকু গ'ল। বৰ-ষুণত গা ধুই ধুই আমি পাহাৰখনলৈ চাওঁ—সেউ-জীয়া পাহাৰখনক বৰষুণে নেদেখা কৰি ধৰে। কিছুমান বগা বগা মেঘ আকাশৰ পৰা নামি আহি পাহাৰৰ শালগছবোৰ আৱৰি ধৰে। আমি জপিয়াই থকাৰ পৰা বৈ যাওঁ; তেতিয়া বুজো বৰষুণ আৰু নাহে। কিমান পুৰণি, অথচ কিমান সজীৱ এইবোৰ স্মৃতি। সেই নাচিবাগি ফুৰা ল'ৰাবোৰ ডেকা হ'ল; ছোৱালী-বোৰ গাভৰু হৈ মাক হ'ল। মাথোন আমাৰ বাবে থাকি গ'ল হাঁহি-কান্দোনৰ স্মৃতি।

......."বাপুদা, এই মেঘবোৰ পাহাৰখনলৈ কিয় আহে ?'' মেঘে ঢাকি বগা কৰি তোলা পাহাৰখনৰ ওপৰলৈ চাই চাই ৰেণুমাই সুধিছিল —!

: "কিয় শাল গছৰ পাত খাবলৈ আহে।"

: "ইহ্ হয়হে! মেঘবো কিবা মুখ আছেনে ?" বিশ্বাস অবিশ্বাসৰ দোমোজাত ৰেণুমাই সোধে।

: "আছেতো! চাবি নেকি ? ব'লচোন ওপৰলৈ গৈ চাই আহো!" মোৰ দুষ্টালি বুজি পাই ৰেণুমাই মোৰ পিঠিত ভুকু মাৰি পথাৰে পথাৰে দৌৰে।

: "প্ৰভাত তই প্ৰেমত পৰিছ ?" মোৰ অস্বাভা-বিক প্ৰশ্নত ৰাষ্টাৰ কেঁচা মাটিৰ ওপৰে ওপৰে গৈ থকা প্ৰভাতৰ চকুদুটা মোৰ মুখলৈ উঠে।

: "তোক আকৌ 'প্ৰেমে' পালেনে! ৰেণুমাৰ কথা ভাবিছ নহয় ?"

: "তই ভাবিলি নেকি যে আজিহে মই ৰেণুমাৰ কথা ভাবিছো!"

: কব নোৱাৰো বাজে কথাবোৰ ভাবি ভাবি তহতে কি ভাল পাৱ!" বিৰক্তিৰে কথাখিনি কৈ প্ৰভাতে ৰাস্তাৰ কাষতে থকা ভোট-এৰাৰ পাত এটা চিঙি ললে।

ৰেণুমাক মই ভাল পাইছিলো; হয়তো এতিয়াও ভাল পায়েই আছো। ৰেণুমা এতিয়াও জীয়াই আছে; কিন্তু মোৰ অন্তৰত আজিৰ ৰেণুমাৰ ছৱিখন আঁকা হোৱা নাই। মোৰ অন্তৰত ৰেণুমাৰ এখন করুণ মধুৰ ছৱি আঁকা আছে; সেইখন ছৱি বহু বছৰ আগৰ,

বহু বছৰ আগৰ ৰেণুমাৰ ছবি । হয়তো আজি ৰেণুমাৰ মানস পটত মোৰ কোনো স্মৃতিয়েই নাই ৰেণুমাৰ মনৰ পৰা মই হেৰাই গৈছে ; সুশান্ত নামৰ কাকো ৰেণুমাই চিনি নেপায়, আৰু কেতিয়াবা পাইছিল নে মনত নাই । কিন্তু মোৰ মনত ? ৰেণুমা থাকি গল চিৰদিনলৈ ।

মাৰ কোলা এৰি মাটিত ভৰি দিয়া দিনৰে পৰা ৰেণুমা মোৰ চিনাকি । একেলগে খেলিছিলো, একে লগে হাঁহিছিলোঁ, স্কুললৈ গৈছিলোঁ । কাজিয়াও কৰিছিলো প্ৰায়ে । ছোৱালীৰ লগত কাজিয়া কৰিবলৈ ভাল ! পোন চাতেই চুলিকোচাত ধৰি বগৰাই দিও । ৰেণুমাই কান্দে ; মোলৈ শিল দলিয়াই, গালি গালৈ মাৰে ! ৰেণুমা কান্দি কান্দি ঘৰমুৱা হলে অজান ভয়ত বুকুখন মোৰ কপিবলৈ ধৰে ! আজি সৰ্ব্বনাশ ! ৰেণুমাই কান্দি কান্দি ঘৰত কোৱা মাত্ৰকে ককায়েক বাপেকে মোক, মোক ··· ···· । ভয়ত মই ধাননীৰ মাজত লুকাই থাকো । ঘৰলৈ আহিবলৈকো ভয় মাৰ কাণত কথাটো পৰাতকৈ ৰেণুমাৰ বাপেকৰ কাণটেপা খোৱা বহুত ভাল ! ···· ····আইঁ সেইবোৰ স্মৃতি কথা । ৰেণুমাইঁতৰ ঘৰত আমি বাঘ থাকে বুলি ভাবিছিলোঁ । সিহঁতৰ ঘৰলৈ নগলেও আমাৰ একেলগে ফুৰাচকা কৰাত বাধা নাছিল । একে পৰিবেশত আমি ডাঙৰ হৈছোঁ । দুয়োৰে মাজত গঢ়ি উঠা অন্তৰঙ্গতাই আমাক বহু আপোন কৰি তুলিছিল । বহু ক্ষেত্ৰতেই ৰেণুমাই পাহৰি গৈছিল যে মই এটা ল'ৰা ! আৰু ময়ো পাহৰি গৈছিলোঁ যে ৰেণুমা এজনী ছোৱালী । আমাৰ এই সহজ সম্পৰ্ক দিনে দিনে গাঢ় হৈ আহিছিল আমি কব নোৱাৰাকৈয়ে প্ৰেম হৈছিল আমাৰ মাজত । তেতিয়া পাহাৰটোৰ সিপাৰৰ পৰা ওলাই অহা জোনটোলৈ চাই চাই আপোন পাহৰা হোৱাৰ বয়স আমাৰ । পৃথিৱী খনৰ ইমান দিনে লুকাই থকা সৌন্দৰ্য্যবোৰ আমাৰ চকুৰ আগত উন্মুক্ত হৈ পৰিছিল । আমি ডাঙৰ হৈ উঠিছিলোঁ, চ'তৰ শীৰ্ণ নদীৰ বালিত বহি বালি খান্দি খান্দি পানী উলিয়াবলৈ যত্ন কৰাৰ বয়স আমাৰ উকলি গৈছিল । —প্ৰথম ফ্ৰক এৰি মেখেলা পিন্ধা ৰেণুমাই এদিন মোৰ সন্মুখত থিয় হৈ কথা কব পৰা নাছিল ; কিবা এটি নতুন অনুভৱৰ আভাত ৰেণুমাজনী ৰঙা পৰি উঠিছিল । মই হাঁহিছিলোঁ, ৰেণুমাইয়ো হাঁহিছিল । দুয়োৰো মিলিত হাঁহিয়ে পাহাৰটোৰ বুকুত ঠেকা খাই ভৈয়ামৰ পথাৰে পথাৰে ভাঁহি ফুৰিছিল !

মেট্ৰিকটো পাচ কৰি গুৱাহাটীলৈ পঢ়িব যোৱাৰ বাহিৰে আন উপায় নাছিল । পলাশবাৰীৰ দৰে বিশল অঞ্চল এটাৰ ল'ৰা-ছোৱালীবোৰ উচ্চ শিক্ষাৰ ক্ষেত্ৰ আছিল গুৱাহাটী । গুৱাহাটীলৈ যোৱাটোকে ঠিক হ'ল । মন প্ৰাণ গাৰত এৰি থৈ গুৱাহাটীতয়ে পঢ়িব পাৰিম মোৰ সন্দেহ হৈছিল !

: "ৰেণুমা মই গুৱাহাটীলৈ যাম—"

: "নেলাগে যাব !" হাঁহি মাৰি ৰেণুমাই কৈছিল ।

: "কিয় ?" ৰেণুমাক সুসুধি মোৰ অন্তৰখনকে সুধিব পাৰিলোহেতেন ।

: "যাবা, যাবা, কিয় নেযাবা ! মোৰেই কি অধিকাৰ আছে বাধা দিবলৈ ! যোৱা তোমাৰ ভালটো সদায়ে মই ··· ····" কিবা এক বেদনাই যেন ৰেণুমাৰ বুকুত একান্ত সংগোপনে খামোচ মাৰি ধৰিছিল ।

"—মই বৰ ভুল কৰিছো প্ৰভাত, ডাঙৰ ভুল কৰিছোঁ ! এখন নাৰী হৃদয়ৰ গভীৰ বেদনাই হয়তো মোক খুউব অভিশাপ দিছে । ৰেণুমাৰ দৃষ্টিত মই আজি কাপুৰুষ হৈ গৈছোঁ । তাই হয়তো ভাবি ভাবি উলিয়াব পৰা নাছিল ইমান দিনৰ হাঁহি ধেমালি, ইমান দিনৰ চিনাকি হিয়াৰ দাবী ইমান অকস্মাতে মই কেনেকৈ পাহৰি যাব পাৰিছো ! ৰেণুমাইতো অকনো দোষ কৰা নাছিল ! —ৰেণুমা দিগন্তৰ ভনীয়েক আছিল । সেয়েহেতোই নহয় । কিন্তু··· ··· ! হয়তো অন্তৰৰ প্ৰতিশোধ পৰায়ন মনটোৱে মোৰ অজ্ঞাতেই দিগন্তৰ ওপৰত লব নোৱাৰা প্ৰতিশোধখিনি ৰেণুমাৰ ওপৰত লবলৈ যেন বিচাৰিছিল । দিগন্তক মই কোনো দিনে ক্ষমা কৰিব নোৱাৰিম বুলি ভাবিছিলোঁ । দিগন্তৰ কাৰ্য্যই অকল দিগন্তৰ প্ৰতিয়েই নহয় সিহঁতৰ গোটেই ঘৰখনৰ প্ৰতি মোৰ অন্তৰত ঘৃণাৰ সৃষ্টি কৰিছিল ।

"কিন্তু জান প্ৰভাত, মই অকল ৰেণুমাৰ প্ৰতিশোধ লোৱা নাই, লৈছো নিজৰ ওপৰতো ! —তেতিয়া মই নিজৰ বিবেক হেৰুৱাই পেলাইছিলো, ঘৰখনৰ অভিশপ্ত কাহিনীয়ে মোক বলিয়া কৰি দিছিল। সেই অৱস্থাত ৰেণুমাৰ প্ৰতি অবিচাৰ কৰাটো অস্বাভাবিক নাছিল ! কিন্তু মই ভুল কৰিছো প্ৰভাত ! ৰেণুমাই নেজানিলে কিয় মই তাইৰ পৰা আঁতৰি আহিছিলো ; তাইক মই কব নোৱাৰিলো, কবলৈ ইচ্ছা নকৰিলো। ৰেণুমাই হয়তো শেহত জানিব পাৰিছিল দিগন্তৰ ভুলৰ বাবেই মই তাইক এৰিছোঁ। তাই মোক হঁাহিছে, মোক অভিশাপ দিছে প্ৰভাত ! কিমান বেদনা সহ্য কৰিম আৰু মই ? জীৱনটোৰ প্ৰতি দেখোন মোৰ মমতা নোহোৱা হৈ আহিছে।

আমি আহি আহি প্ৰকাণ্ড বকুল জোপাৰ তল পালেঁাহি। এটি নিৰিবিলি পৰিবেশ প্ৰকাণ্ড বকুল জোপাৰ ডালপাতে বহু অংশ জুৰি ছাঁ দি ৰাখিছে। শৰত কালৰ এক দুপৰীয়াৰ বেলিটো গছজোপাই ঢাকি ধৰিছে ; এক গহীন পৰিবেশ। সৰি থকা বকুলৰ পকা পাতবোৰ দুটামান ছাগলীয়ে আপোন মনে বুটলি বুটলি খাইছে। গছজোপাৰ বয়স কিমান হল কোনেও নেজানে। মনত পৰে বকুল ফুল বুটলি বুটলি কি যে এটা আনন্দ পাইছিলো।

এটা চিনাকি ঘৰৰ পদুলীত থিয় হৈ থকা তিনিটা ল'ৰা ছোৱালী দেখি ৰৈ গলো, শকত-আৱত তিনিটা লৰা ছোৱালী। পদূলী মুখত থিয় হৈ কিবা এটি কৰুণ অনুভূতিৰ হেন্দোলনীত অন্তৰখন জিকাৰ খাই উঠিল। এইটো দিগন্তহঁতৰ পদুলী। বাৰান্দাত বহি থকা দিগন্তৰ দেউতাকৰ কল্পিত মুৰ্ত্তিটোৱে আজিও যেন মোক ভয় খুৱালে ! —ল'ৰা ছোৱালী কেইটা কাৰ ! দিগন্তহঁতৰতো ল'ৰা ছোৱালী থাকিব নেলাগে ; ৰেণুমায়েই আছিল আটাইতকৈ সৰু ·····। বোধহয় দিগন্তৰ লৰা ছোৱালী। হাত বাউল দি সিহতক মাতিলেঁা। ওচৰ চাপি আহিবলৈ সিহতৰ সাহসৰ অভাৱ ; ময়ে সিহতৰ ওচৰ চাপি গলো। স্বাস্থ্যবান বগা চাৰিবছৰীয়ামান লৰাটিক হাতেৰে ধৰি কোলাত তুলি ললো। চুমা এটি খাই দিবলৈ মন গ'ল। কিন্তু মুখৰ দাড়ি চুলিয়ে তাৰ কোমল ছালত আঘাট কৰাত সি মোৰ মুখখন আতৰাই দিলে।

: "সেইটো ৰেণুমাৰ ল'ৰা।" অলপ দূৰত থিয় হৈ কোৱা প্ৰভাতৰ কথাখিনিয়ে মোক স্পন্দনহীন কৰি দিব খুজিলে। "ৰেণুমাৰ ! কিন্তু, কিন্তু··· ···ই-ইয়াত কিয় ?"

: নহয়, মাকো আহিছে, এসপ্তাহ মান হ'ল···"

: "হাঃ !!—" মোৰ মুখৰপৰা অস্বাভাবিক ধৰণে ওলাই আহিল। —"কিন্তু···" মনটো খেলিমেলি লাগি গ'ল, এটি অবুজ চঞ্চলতাই মোক অস্থিৰ কৰি তুলিলে। ল'ৰাটোক বুকুত সাৱটি ধৰিলো ! আজি আঠোটা বছৰে ৰেণুমাক দেখা নাই। তাই চাগৈ এতিয়া কেনেকুৱা হৈছে ! —আহ, ৰেণুমাৰ অচিনাকী সন্তান মোৰ বুকুৰ মাজত··· ···। ৰেণুমাই চাগৈ···। মোৰ অজ্ঞাতেই চকু দুটা দিগন্তহঁতৰ ঘৰৰ খিৰিকী এখনলৈ গ'ল। সেইখন খিৰিকীৰ মুখতে ৰেণুমাই আহি পঢ়াশুনা কৰিছিল। সময়ৰ ব্যৱধান মই পাহৰি গলো ; মই দেখিলো যেন সেয়া ৰেণুমা এতিয়াও খিৰিকীৰ সিফালে বহি পঢ়ি আছে ; মই অহা গম পাই বাটলৈ চাইছে। কিন্তু··· ··এয়া কি ! কি কি দেখিছোঁ মই !! সেইখন কোমল কৰুণ কাৰ চিনাকী মুখ ! সেই দুটি কাৰ অবুজ কৰুণতাত সেমেকি উঠা উজল চকু— ! চাই থাকিবলৈ মোৰ ধৈৰ্য্য নহল ; চাই থকাৰ সাহসকণ মই হেৰুৱাই পেলালেঁা ; কিবা এটাই মোৰ বুকুখন খুন্দা মাৰি ধৰিলে ! কোলাত থকা লৰাটোৰ আঃজোৰ-পিজোৰত সম্বিৎ মোৰ ঘূৰি আহিল। কোলাৰ পৰা নামি ল'ৰাটো দৌৰ মাৰিলে। তাক এবাৰ মাতিবলৈকো মোৰ ভাষা নোলাল ; কোমল শব্দ এটা কঁপি কঁপি ওলাই আহি মুখতে ৰৈ গল। আকৌ খিৰিকীখনলৈ চালো চালো ঠিকেই, এতিয়া সেইখন মুখে একেথৰে পদুলীমুখলৈ চাই আছে ; সেই দুটি চিনাকী কৰুণ চকুৱে যেন কান্দি দিব ; —"ৰে—ণু—মা···· ····" বতাহত কঁপা কলপাতৰ দৰে কঁপি

কঁপি শব্দটো ওলাই আহিল ; কিন্তু শব্দটো ৰেণুমাই শুশুনিলে ; হয়তো ময়েই ভালকৈ শুনা নাই । —ৰেণু-মাৰ চকুলৈ চাই থাকিবলৈ মোৰ ভয় লাগিল ; মই যেন অপৰাধী, বহুদিন আত্মগোপন কৰি থকাৰ মূৰত আজি ধৰা পৰি গৈছোঁ । বহুত বেদনাত অন্তৰখন মোৰ সিক্ত হৈ আহিল । ·······“প্ৰ—ভা—ত !” দূৰত থকা প্ৰভাতলৈ চালোঁ । বেৰা এখনত ভৰি এখন দি প্ৰভাতো হতবাক হৈ আমালৈ চাই আছে । —মই জানো 'ৰেণুমা' বুলি মতাৰ অধিকাৰকণ মই বহুতদিন আগতে-হেৰুৱাই পেলাইছোঁ । ৰেণুমাই অস্থিৰ ভাবে খিৰিকীৰ পৰ্দা এখন জোৰকৈ বন্ধ কৰি দিলে ; কিন্তু খিৰিকীখন পুনৰ মেলখাই গ'ল··· ··· ।

০ ০ ০ ০ ০ ০ ০ ০ ০

"যাবি ক'লৈ ?" —প্ৰভাতে চিগাৰেটৰ শেষৰ অংশটো খিৰিকীৰে পেলাবলৈ সামান্য হাউলী শুধিলে ।

: কলৈ যাম ? সেয়েতো ! কলৈ যাম নেজানো, কিন্তু ইয়াৰ পৰা যে যাব লাগিল, সেইটো জানো ।

: "তই ইয়াতে থাকি যা সুশান্ত ! কিবা এটা ইয়াতেই কৰ ; অন্ততঃ বাৰী-ঘৰৰ এটা ভাল ব্যৱস্থা কৰ ।" মোৰ মুখলৈ চাই প্ৰভাতে কলে । মই নীৰৱেই হাঁহিলো । "জীৱনৰ গতিপথত মাত্ৰ ঘূৰি ফুৰিছোঁ, মই মাত্ৰ চলি আছোঁ । মই যাবই লাগিব প্ৰভাত ; পৃথিবীৰ কতো মোৰ স্থান নাই, মই এক যাযাবৰ ।··"

—যাবলৈ ওলাইছোঁ ; দুটা দিন গাওঁত থাকিলো । খুৰীদেৱে পুৰাই পুৰাই মোৰ বাবে ভাতৰ যোগাৰ কৰিছে । খুৰীদেৱেও থাকিবলৈ জোৰ কৰিছে, থাকিব পাৰিলে চাগৈ ভালেই আছিল ! গুৱাহাটীলৈ ওলালে মায়ে কাহিলী কাহিলী পুৱাতেই মোৰ বাবে কিমান যতনেৰে যে খোৱা-লোৱাৰ যোগাৰ কৰিছিল ; ইটো সিটো খাবলৈ জোৰ কৰিছিল । ৰাতিপুৱাই ৰাতি-পুৱাই ইমান সোপা খাব পাৰি নে ······ । বহু সৰু সৰু কথাই আমাক কেতিয়াবা কন্দুৱাই । প্ৰভাতে মোৰ বেগটোত নীৰৱে সামান্য বস্তুখিনি ভৰাই দিছে । চকীখনত বহি খিৰিকীৰে মই বাহিৰলৈ চাই আছো ।

এটি সুন্দৰ শৰতৰ, মনৰ কালিমা ধুই দিব পৰা ৰাতি-পুৱা········ । চোতালৰ দুবৰি বনৰ আগত টোপ বান্ধি থকা শৰতৰ নিয়ৰ কণিকাৰ ওপৰত সূৰ্য্যৰ আলসূৱা ৰশ্মি পৰিছেহি ! মুকুটা মুকুটা যেন লগা প্ৰতি টোপাল নিয়ৰ কণিকাৰ আৰে আৰে থকা অলেখ ইতিহাস মোৰ চকুৰ আগত যেন মুক্ত হৈ উঠিল । প্ৰতিটো বিন্দুতে যেন বহুতো কৰুণ মুখে আত্মগোপন কৰিছে, সেই মুখ অৰুণিমাৰ, মাৰ, অৰু-ণৰ, ৰেণুমাৰ··· ··· ··· ··· ! মই যেন দেখিছোঁ সিহঁতৰ ম্লান, সজল চকুবোৰ, সিহঁতৰ মুখৰ কৰুণ অভিব্যক্তি ···· । এইবোৰ নিয়ৰ····· । অৰুণিমা-হঁতৰ দুচকুৰ চকুপানীহে যেন নিয়ৰ হৈ সৰিছে ।


—বাছখন আহি পোৱা নাই । প্ৰভাতহঁতৰ পদূলী মুখত থিয় হৈ বাছকে ৰৈ আছো । আজি কালি গাওঁৰ পদূলীৰেই বাছ যোৱা হ'ল । মোৰ লগতে থিয় হৈ থকা প্ৰভাত, খুৰীদেউ আৰু বাকী কেইজন মানুহে বাছখন অহা ফাললৈ চাই আছে ; যেন তেওঁ-লোকহে ক'ৰবালৈ যাবলৈ ৰৈ আছে ! হয়তো এয়েই শেষ, কোনোদিনে আৰু গাওঁলৈ অহা নহব । এওঁ-লোকে যদি অন্তৰৰ ব্যথা বুজিলেহেঁতেন । —মই যাম ; গাওঁত পৰি থাকিব এৰাবাৰীখন হাবি-জংগলেৰে পূৰ্ণ হৈ ! গাওঁৰ বুকুত পৰা মচা যাব আমাৰ পৰিচয়, মোৰ পৰিচয়, সকলোৰে বাবে হেৰাই যাব মোৰ স্মৃতি, ময়ো বিচাৰিছো সকলোৰে মনৰ পৰা মচা যাওঁক মোৰ অক্ষমতাৰ, মোৰ কলংকৰ কাহিনী । হেৰাই যাওঁক এটা অভিশপ্ত জীৱনৰ কৰুণ ইতিহাস ····· ।



বাছখন আহি আছে । শেষবাৰৰ বাবে গাওঁখনৰ অবুজ মৰমে বহু স্মৃতিয়ে, মোক আমনি কৰিলেহি । গাওঁখনক মই একো দিব নোৱাৰিলোঁ, গাওঁখনেও, গাওঁৰ মানুহবোৰেও মোক একো দিয়া নাই, নিদিয়ে, তথাপি কিয় এই

মৰম, কিয় এই আকৰ্ষণ ? মই যিমান দিনলৈ জীয়াই থাকিম সিমান দিনলৈ এইখন গাওঁ কিছুমান হিয়াঁভগা, বেদনাপূৰ্ণ কাহিনীৰ স্মৃতি হৈয়ে থাকিব। মোৰ এবাবাৰীখনৰ করুণতাই এটা পৰিয়ালৰ করুণ সংঘাটকে কৈ থাকিব। তাৰ পিছত এদিন মা, অৰুণিমাৰ হাঁহাকাৰ কৰি থকা আত্মাৰ সন্ধানত গুচি যাম; এই পৃথিৱীৰ বিশালতাত মরো হেৰাই যাম; হেৰাই যাব এক যাযাবৰী জীৱনৰ করুণ বিফলতা, হিয়া ভগা হুমুনিয়াহ। মোৰ পিছতো হয়তো বহু দিনলৈ এই পৃথিৱীত থাকি যাব অন্তৰৰ আশা আকাঙ্খাবোৰ। বাস্তৱৰ নিষ্ঠুৰ আঘাতত ভাষা হেৰুৱাই মৌন হৈ পৰাৰ বেদনা। এই বেদনা এটা মুক্ত পখীৰ ডেউকা ভগাৰ বেদনা ·· ··· ··· ··· ··· ···।

● ● ●



ঢং ঢংকৈ মন্দিৰৰ পৰা ভাহি অহা ঘণ্টা ধ্বনি শুনি দেৱনাথ নৈৰ পৰা উঠি আহিল। পাৰত থোৱা শুকান কাপোৰৰ টোপোলাটো হাতত লৈ তিতা কাপোৰেৰেই সি মন্দিৰলৈ দৌৰ দিলে। দৌৰি দৌৰিয়ে টোপোলাটোৰ পৰা গামোচাখন উলিয়াই মূৰত লৈ এখন হাতেৰে তাৰ দীঘল চুলি কোছা মোহাৰিবলৈ ধৰিলে। চুলি কোচাৰ পৰা নিগৰি অহা পানীৰ টোপালবোৰ গামোচাখনত বাজি ৰ'ল। জোকাৰণিত দুই এটোপাল চিটিকি গৈ নৈৰ বালিত পৰিবলৈ ধৰিলে।


দেৱনাথ চৌৱিশ বছৰীয়া ডেকা। সুঠাম দেহ, গোলাকাৰ মুখখন সুন্দৰ চকুজুৰিয়ে শুৱনি কৰি তুলিছে। তাৰ মোহনীয় চকুযুৰি যেনে মানুহটোও যেন তেনে। অতি কম আয়সতে সি মানুহক আপোন কৰি লব পাৰে। তাৰ ৰূপ আৰু চৰিত্ৰৰ সাৰ্থক হৈ পৰে ভয়ানক। বিভৎস মুখাকৃতি কৰি সি যেতিয়া মন্দিৰৰ সমুখৰ বলিৰ কাটৰা জোৰাৰ সমুখত হাতত প্ৰকাণ্ড দাখন লৈ থিয় হয় তেতিয়া যেন তাৰ শুৱনি চকুযুৰিৰে জুইহে ওলাবলৈ ধৰে! সেই জুইত এটা এটাকৈ নিঃশেষ হয় হাঁহ, পাৰ, ছাগলীবোৰ। আনকি মাজে সময়ে নিৰ্জ্জ ম'হবোৰ।

সি এটা সামান্য দাৱাল। আহিবৰ দিন ধৰি সি আজি অত বছৰে কিমান হাঁহ, পাৰ, ছাগলী তাৰ বলিষ্ঠ হাত দুখন আৰু দাখনেৰে দুচেও কৰি আহিছে তাৰ হিচাব সি ৰখা নাই।

মন্দিৰৰ দুৱাৰ-দলিত কাপোৰৰ টোপোলাটো থৈ গামোচাখন ডিভিত মেৰিয়াই লৈ দেৱনাথ ভিতৰ সোমাল। সোঁ হাত খনেৰে ইটাৰ বেৰত ধৰি তলৰ অন্ধকাৰ গুহাটোৰ গভীৰলৈ সোমাই যাব ধৰিলে। এটা দুটাকৈ বহুত খটখটি সি অতিক্ৰম কৰি আহিল!

'কোন'? গভীৰ গুহাৰ অন্ধকাৰত যেন কাৰোবাৰ গুৰু-গম্ভীৰ মাত প্ৰতিধ্বনিত হল!—'কোন?'

'মই গুৰুদেৱ।' একেই প্ৰতিধ্বনি।



'অ' দেৱনাথ।' গুৰুৰ পাৰ যুগলত দেৱনাথ অষ্টাঙ্গ পৰিল।

উথা বৎস! আই ভগৱতীয়ে তোমাৰ মঙ্গল কৰিব। হাত দুখনেৰে ধৰি গুৰুৱে তাক উঠাই দিবলৈ চেষ্টা কৰিলে। কিন্তু দেৱনাথৰ কঠিন হাতৰ বন্ধনৰ পৰা তেওঁৰ ভৰি দুখন মুক্ত কৰি আনিব খুজিলে, নোৱাৰিলে। পৰি থাকিয়ে সি ফেকুৰিবলৈ ধৰিলে। গুৰুৰ পাৰ যুগল তাৰ চকুপানীৰে উপচি

পৰিল।

'মোক উদ্ধাৰ কৰক গুৰুদেৱ।'

'বৎস। অকাৰণত ইমান বিহ্বল হৈ পৰিলা যে? কিবা কাৰণ?'

'মই যি পাপ কৰিছো, তাৰ পৰা মোক উদ্ধাৰৰ পথ দিয়ক। নহলে মোৰ সৰ্ব্বনাশ হ'ল।'

দেৱনাথক তুলি ধৰি মূৰত হাত ফুৰাই গুৰুৱে কলে—'ইমান পুৰাই তুমি অহা দেখিয়েই মই বুজিলো কিবা এটা অঘটন ঘটিল; তোমাৰ কৰ্ম্ম অপকৰ্ম্ম সঁচা। কিন্তু মানুহে জানি শুনি পাপ নকৰে বাচা। তুমি একো ভুল কৰা নাই। তোমাৰ বিবেকে তোমাক আৰু অসৎ পথে পৰিচালিত কৰিব নোৱাৰে। যোৱা বাচা, আজিৰ পৰা সকলো অপকৰ্ম্মৰ পৰা সাৱধানে থাকিবা।'

গুৰুৰ বাক্য শুনি দেৱনাথ নিবিড় অন্ধকাৰত গুৰুৰ বুকুৰ মাজত সোমাই পৰিল। তেওঁ ভক্তৰ ভক্তিত সন্তুষ্ট হৈ তাক সাৱটি ধৰিলে। কোনেও কাৰো মুখ দেখা নাই, গভীৰ অন্ধকাৰ।

লাহে লাহে দেৱনাথ ওপৰলৈ উঠি আহিল। বাহিৰৰ পোহৰত তাৰ সুন্দৰ মুখখন অধিক উজ্জল হৈ উঠিল। হাতত কাপোৰৰ টোপোলাটো লৈ সি নিজৰ বহালৈ গ'ল। খোজত পূৰ্ব্বৰ উদ্যম নাই। সি ধীৰ স্থিৰ, শান্ত।

দীপেশ্বৰী দেৱীৰ মন্দিৰৰ সন্মুখৰ বাটচ'ৰাত এখন ক'লা ফিয়েট্ আহি ৰ'লহি। গাড়ীৰ পৰা কেবাজনো আৰোহী নামিল। কোনোবা আচৰিত পৰিয়াল হবলা। ড্ৰাইভাৰটোৱে গৈ গাড়ীৰ পিচফালটো খুলি দিয়াত দুটা ক'লা পঠা বেৰাই বেৰাই ওলাই আহিল। আৰোহী সকলৰ ভিতৰত দুজন বৃদ্ধপ্ৰায় লোক, এজন আদহীয়া লোক, এজনী বুঢ়ী আৰু দুজনী গাভৰু ছোৱালী। আটায়ে নামি গাৰ কানি-কাপোৰ ঠিক ঠাক কৰি ল'লে। ছোৱালী দুজনীয়ে উৎফুল্ল হৈ ইফালে সিফালে চাবলৈ ধৰিলে। বুঢ়ীয়ে হাত দুখন লগ লগাই মন্দিৰৰ ফালে চাই মূৰটো দোৱালে। বৃদ্ধ দুজন আৰু বাকী জনে মন্দিৰৰ চূড়াৰ ফাললৈ চালে।

গাড়ীখন হঠাতে আহি ৰোৱাত মন্দিৰৰ গৰাকী সৰ্ব্বানন্দ দলৈৰ ভৃত্য হৰকান্ত দৌৰি আহিল। পোনে পোনে তাৰ চকু পৰিল ড্ৰাইভাৰটোৱে বান্ধি থোৱা মন্দিৰৰ আগ চোতালৰ ক'লা পঠা দুটাত। সি গৈ দৰ্শনপ্ৰাৰ্থী সকলক বহিবলৈ বুলি মন্দিৰৰ অতিথি শালাৰ ফালে আগবঢ়াই নিলে আৰু আটাইকে বহিবলৈ কৈ চকী, বেঞ্চবোৰ জোকাৰি দিলে। তাৰ পিচত বয়সীয়াল বৃদ্ধৰ চকুলৈ চাই সি দলৈক খবৰ দিবলৈ দৌৰি গ'ল। আটাই কেইজনে সৰু সৰুকৈ কথা কোৱা আৰম্ভ কৰিলে।

ইতিমধ্যে মন্দিৰৰ ভিতৰৰ পৰা দুজনমান পুজাৰী ওলাই আহি ডিঙি মেলি গাড়ীখন আৰু আৰোহী সকলক লক্ষ্য কৰিলে! ঘণ্টা বজাৰ অলপ পিচতে আটাই কেইজন পুজাৰী আহি পাইছিলহি। এজন পূজাৰীয়ে গুৰুদেৱক খবৰ দিবলৈ মন্দিৰৰ গহ্বৰলৈ সোমাই গ'ল। এজনে আগবাঢ়ি আহি দৰ্শনাৰ্থী সকলৰ খবৰ ল'লে। আদবয়সীয়া ভদ্ৰলোকজনে হাউলি পৰি পূজাৰীৰ ভৰি চুলে আৰু কলে যে দুসপ্তাহমান আগতে বৃদ্ধই সপোনত দেখিছিল যে আই ভগৱতীয়ে তেওঁক এহাল ক'লা পঠা তেওঁৰ মন্দিৰত দিবলৈ কৈছে, আৰু সেয়ে নহলে তেওঁৰ অগাধ সম্পত্তি এবছৰতে নাশ পাব। পঠাহাল মন্দিৰত বলি দিবলৈ আনিছে। তাৰে এটা লৈ যাব আৰু এটা ব্যৱস্থা ইয়াতে কৰিব। এজন বৃদ্ধই থিয় হৈ পুজাৰীক সেৱা কৰিলে। পুজাৰীয়ে কলে—'থিক আছে। সকলো হব। আপোনালোকৰ সপোনৰ দুশ্চিন্তাৰ কাৰণ নাই। সকলো বিপদ আঁতৰ হব। আটায়ে ভোগ খাই জিৰাই শতাই যাব। এতিয়া আটায়ে স্নান কৰি দেৱী দৰ্শন কৰকহি।' এই বুলি তেওঁ যাব খুজি পুনৰ কলে যে প্ৰভু সৰ্ব্বানন্দ দলৈ নাই। তেওঁ মন্দিৰৰ মাটি-বাৰীৰ কিবা কামত চিংগুলৈ গ'ল। পৰহি মানলৈহে আহি পাব।'

ইতিমধ্যে সিদ্ধেশ্বৰে মন্দিৰৰ ৰান্ধনীবোৰ খবৰ কৰিবলৈ গ'ল।

দেৱনাথে তেতিয়া তিতাকাপোৰ সলাই শুকান গামোছা এখন আৰু বগা বৰ্নিয়ন এটা পিন্ধি তাৰ ঘৰৰ আগচালিৰ খুটাৰ আওজি বহি আগদিনা নিশাৰ অঘটনটোৰ কথা ভাবি আছিল।

তাৰ ঘৰ আছিল দক্ষিণ কামৰূপৰ এখন সৰু গাৱঁত। বাপেক এজন সাধাৰণ খেতিয়ক। মজলীয়া স্কুল উত্তীৰ্ণ হোৱাৰ পিছত তাক বাপেকে চহৰৰ হাইস্কুল এখনত নাম লগাই দি ছাত্ৰবাসত থলে। চহৰৰ বা-বতাহ লাগি দ্বিতীয় বছৰতে তাৰ চৰিত্ৰৰ অধঃপতন ঘটিল। আৰু আটাইবোৰ কু-কাৰ্য্যত দেৱনাথ লিপ্ত হৈ পৰিল। দ্বিতীয় বছৰত সি পৰীক্ষাত অকৃতকাৰ্য্য হ'ল যদিও বাপেক হতাশ হোৱা নাছিল। কিন্তু তৃতীয় বছৰতো একেদৰে অকৃতকাৰ্য্য হোৱাত তাক গাৱঁলৈ ঘুৰাই আনিলে। চহৰৰ বতাহে পোৱা দেৱনাথে গাৱঁত শান্ত হোৱা গাৱলীয়া বাপেকৰ লগত শান্তিত কটাব নোৱাৰিলে। ফলত গাৱঁতো সি কু-কাৰ্য্যবোৰ কৰিবলৈ ধৰিলে। এদিন বাপেকে কিবা দোষত গালি পাৰাৰ অজুহাতত সি এদিন গভীৰ নিশা গাওঁ এৰি পলাল।

দেৱনাথৰ একমাত্ৰ ভনীয়েকজনীক বিয়াদি উলিয়াই দিলে। দেৱনাথ পলোৱাত মাক বাপেকে মৰ্ম্মান্তিক দুখ পালে। কিবা বেজাৰত আত্মহত্যা কৰা বুলি মানুহে তাক হাবি, নৈ, পুখুৰী আদিত বিচাৰিবলৈ ধৰিলে। কিন্তু তাক পায় কত?

সি সময়ত দক্ষিণ কামৰূপৰ এখন সৰু গাৱঁৰ এহাল অসহায় পিতৃ-মাতৃয়ে নিজৰ একমাত্ৰ পুত্ৰৰ শোকত বিহ্বল হৈ হিয়া ঢাকুৰী কান্দি আছিল, সেই সময়তে সেই পুত্ৰ দেৱনাথে ৰঙিয়া জংচনৰ পৰা লক্ষীমপুৰ অভিমুখী ৰেলগাড়ী এখনৰ তৃতীয় শ্ৰেণীৰ ডবা এটাত গৈ আছিল। সি কৰি যোৱা অপৰাধ আৰু কু-কাৰ্য্য বোৰৰ কথাই সি চিন্তা কৰি আছিল। এটা সময়ত তাৰ ভোকত ৰব নোৱাৰা অৱস্থা এটা আহি পৰিল। ইফালে হাতত এটা পয়চাও নাছিল। তাৰ ডবাতে উঠি যোৱা এজন সুন্দৰ স্বাস্থ্যৰ, ধুতি-চুৰিয়া পিন্ধা ভদ্ৰলোকে তাৰ উচ্‌পিচনি আৰু মুখাবয়ৰ বিৰক্তিকৰ ভঙ্গি দেখি তাৰ পৰিচয় সুধিলে। সি কলে যে সি বৰপেটাৰ ফালৰ ল'ৰা, পঢ়া শুনা মুঠেই কৰা নাই। দুমাহ আগতে তাৰ মাক-বাপেক মৰিছে। সেয়ে এটা কামৰ সন্ধানত ওলাই আহিছো। দেৱনাথৰ পিন্ধনত আছিল এখন ডাঙৰ গামোছা আৰু সুন্দৰ চেহেৰা দেখি মানুহজন মুগ্ধ হৈ তাক তেওঁৰ লগত গলে কাম দিব বুলি কৈ যাব নেকি সুধিলে। সি এআৰ কথাতে সন্মত হ'ল। যি নহওক, অন্ন-সংস্থানৰ এটা বাট ওলাল। সেই মানুহজনেই আছিল দীপেশ্বৰী মন্দিৰৰ হৰ্ত্তা-কৰ্ত্তা প্ৰভু সৰ্ব্বানন্দ দলৈ।

সি কৰা ভুলৰ বাবে সি অনুতাপ কৰিছিল। মাক-বাপেকলৈ তাৰ বৰকৈ মনত পৰিছিল। মন্দিৰত থাকোতেই সি কেতিয়াবা ঘৰলৈ গৈ মাক-বাপেকৰ ভৰিত ধৰি মাফ খুজিবলৈ আৰু আজীৱন তেওঁলোকৰ শুশ্ৰুষা কৰিবলৈ ইচ্ছা কৰিছিল। কিন্তু তাৰ যেতিয়া মাক-বাপেকৰ বিচাৰ লৈছিল তেতিয়া তেওঁলোক আৰু তাৰ বাবে ৰৈ থকা নাছিল। সি গুচি অহাৰ এমাহ পিচতে মাক আকস্মিক বিয়োগ হোৱাত বাপেকে সম্পত্তি বোৰ বিক্ৰী কৰি তীৰ্থ কৰিবলৈ গৈছিল। সি কান্দিম বুলিও কান্দিব পৰা নাছিলো সেই দিনা।

আই দীপেশ্বৰী মন্দিৰলৈ আহি তাৰ পুৰণি দুৰ্দ্দন্ত স্বভাৱটোৱে প্ৰথমাৱস্থাতে মুৰ ডাঙি উঠিব খুজিছিল। কিন্তু মন্দিৰ সুলক্ষণ যুক্ত পুৰোহিত, পূজাৰী গুৰুদেৱ আদিৰ সঙ্গ ব্যৱহাৰ আৰু সৎ সংগত পৰি তেওঁলোকৰ আদৰ্শৰ দ্বাৰা সি অনুপ্ৰাণিত হ'ল। লাহে লাহে তাৰ স্বভাৱৰ পূৰ্ণ পৰিৱৰ্ত্তন ঘটিল আৰু এনেৱে দেখাত ধুনীয়া দেৱনাথ তাৰ সৎ স্বভাৱৰ গুণত আৰু ধুনীয়া হৈ পৰিল। দলৈৰ সি বৰ প্ৰিয় হ'ল। তেওঁৰ লগত তাৰ সদ্‌সম্পৰ্কৰ উন্নতিত মন্দিৰৰ বাকী মানুহ বোৰৰ হিংসা হ'ল। আৰু আটায়ে বুদ্ধি কৰি তাক মন্দিৰৰ দাৱাল কৰি দিলে। পূৰ্ব্বৰ দাৱালৰ সামান্য

অসুখ এটাই সিহঁতৰ একমাত্ৰ চেনু আছিল। এই দৰেই তাৰ আঠটা বছৰ অতিক্ৰম হ'ল। প্ৰভু সৰ্ব্বানন্দ দলৈৰ জীয়েক অনুপমা ৰূপে গুণে অতুলনীয় আছিল যদিও তাই আছিল অশিক্ষিতা। দেৱনাথৰ সুন্দৰ চৰিত্ৰ আৰু চেহেৰা দেখি তাই অনুৰক্ত হ'ল তাৰ প্ৰতি। দলৈয়ে দেৱনাথক মৰম কৰি নিজৰ চৌহদৰ চাৰিবেৰৰ ভিতৰতে এটা জুপুৰিত তাক থাকিবলৈ দিছিল। মাজে মাজে দুই এটা সৰু সুৰা কামৰ অজুহাতত তাই তাৰ ঘৰলৈ যোৱা কৰিলে। দেৱনাথেও প্ৰায় দলৈৰ ঘৰলৈ যোৱাৰ ফলত সিহঁত দুয়োটাৰে চকুৰ আগত অনবৰত থকাৰ দৰে হৈছিল। সাধাৰণতে ঘটি থকা দুই এটা সৰুসুৰা ঘটনাই সিহঁত দুয়োকো দুয়ো ওচৰ চপাই আনিলে। এদিন সিও অনুভৱ কৰিলে সি যেন তাইক ভাল পাবলৈ ধৰিছে। তাৰ সমস্ত আবেগ, যৌবনৰ সাৰ্থকতা আনকি সমস্ত সত্বাও তাইৰ লীন হবলৈ ধৰিছে।

অশিক্ষিতা জীয়েকৰ প্ৰতি চকু দিবলৈ দলৈৰ সময় নাছিল। অগাধ সম্পত্তিৰ পৰিচালনাত ব্যস্ত থাকোতেই তেওঁৰ সময় অতিবাহিত হৈছিল। সুন্দৰ, ধুনীয়া প্ৰেমিক হলেও দেৱনাথ আছিল মানুহৰ চকুত জীৱজন্তু বলি দিয়া দাবাল। হাঁহ ছাগলীবোৰ মন্দিৰৰ কাট্‌খাত বলি দিয়াটো সহ্য হোৱা নাছিল। তথাপি সিহঁতৰ দিনবোৰ নৈৰ বালি, তাৰ সৰু ঘৰটোত আৰু পুখুৰী পাৰৰ সেউজীয়া ঘাঁহত অতিক্ৰম হৈছিল।

'প্ৰভু! বলি আহিছে।'
'হো?' বলি আহিছে।'

'হো?' বুলি সি মূৰটো ডাঙি চালে। তাৰ দীঘল চুলিবোৰ আৱৰি ৰখা ধুনীয়া চকুহাল সিদ্ধেশ্বৰে চাই থকা দেখি উঠি গৈ তাৰ কান্ধত ধৰিলে আৰু কলে—'সিদ্ধেশ্বৰ। এইবোৰ বন্ধ কৰিব নোৱাৰিবনে?'

'প্ৰভু!' অবুজ দৃষ্টিত সি চালে।

মন্দিৰৰ এটা সামান্য বিগ্ৰহৰ নামত হেজাৰ হেজাৰ নিৰপৰাধ শান্ত জীৱজন্তু হত্যা কৰি ইয়াৰ মানুহ কেইটাৰ পাপৰ ভাতৰ বিৰুদ্ধে থইতে লাগিব নোৱাৰনে?

তাৰ বিজ্ঞ বাক্য শুনি সিদ্ধেশ্বৰ যেন আচৰিত হ'ল আৰু ভয়াতুৰ কণ্ঠস্বৰেৰে চিঞৰি উঠিল—"পাপ প্ৰভু, পাপ।'

'প্ৰভু'? মই তোৰ কোন দিনাৰ কিটো, তই যে মোক প্ৰভু বুলিছ? মোক প্ৰভু নুবুলিবি সিদ্ধেশ্বৰ। বহুত জীৱজন্তু বধ কৰি মই পাপ কৰিছো।

তাৰ ফালে চাই চাই সিদ্ধেশ্বৰ আতৰি গ'লত দেৱনাথ পুনৰ বহি পৰিল।

অনুশোচনাই দেৱনাথৰ অন্তৰ পুৰি চাৰখাৰ কৰি পেলাইছে। ঘৰৰ পৰা গুচি আহি তাৰ মাক-বাপেকক দুখ দি যি অবিচাৰ কৰিলে তাৰ সদ্‌ফল কাহানিও নাপাব। তাৰ হৃদয়ত ধুমুহা বলিছে, তুমুল অন্তৰ্দ্ধন্দত ভুগি সি তাৰ কুফল হাতে হাতে পাইছে।

যোৱা নিশাৰ ঘটনাটো? তাৰ জীৱনত এনে অভিজ্ঞতা প্ৰথম। কিন্তু সেই অভিজ্ঞতা হোৱাটোৱে পাপ। এটা মন্দিৰৰ এটা পৱিত্ৰ দাবালে এনে কুকাৰ্য্য কৰাটো সম্ভৱ নহয়। সি পাপ কৰিছে, তাৰ উদ্ধাৰ নাই। সেয়ে সি ৰাতিপুৱাই গা ধুই তিতা কাপোৰেৰেই গুৰুদেৱৰ ভৰিত ধৰি ভুল স্বীকাৰ কৰি ক্ষমা খুজিছিল। গুৰুৱে সকলো জানে নেকি? যদি তেখেতে সকলোবোৰ জানেই তাক ইমান সহজতে ক্ষমা কৰিলে কেনেকৈ? সিতো আটাইবোৰ ভাঙি কোৱা নাই?

নিশা সি ঘৰত বিছনাত পৰি তাৰ অতীতৰ কথাবোৰ চিন্তা কৰি আছিল। এনেতে দুৱাৰমুখত কোনোবা। চাই দেখে—অনুপমা।

নিজৰ বিছনা খনতে দুয়ো খুব ওচৰা-ওচৰিকৈ বহি কথা পাতি আছিল নিবিড়ভাৱে। ক্ৰমাৎ সিহঁতৰ নিবিড়তা গাঢ় হ'ল আৰু দুয়ো কেতিয়া দুয়োৰে ওচৰ চাপি আহিল কবই নোৱাৰিলে। অৱশেষত দুয়োৰে ব্যৱধানত এটা বিন্দুও নাথাকিল। এখন হাতে জ্বলি